


গুৱাহাটী আৰু নগাঁৱৰপৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ২৮ নৱেম্বৰ ২০২৫/১১ আঘোণ ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ৩২ ● Vol - 14, Issue - 32

## ৰঙিয়া বিধানসভা সমষ্টিৰ ৩২,৭৮৭ গৰাকী মহিলালৈ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত চেক প্ৰদান মুখ্যমন্ত্ৰীৰ

### মহিলাসকলৰ কল্যাণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণেৰে চৰকাৰে ৰাজ্যৰ আই-মাতৃসকলক চিন্তামুক্ত কৰিবলৈ চেষ্টা কৰিছে ঃ ড° শৰ্মা







**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কামৰূপ জিলাৰ ৰঙিয়াত আয়োজিত এক বিশাল জনসভাত ৰঙিয়া বিধানসভা সমষ্টিৰ সৰ্বমুঠ ৩২,৭৮৭ গৰাকী উদ্যমী মহিলালৈ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাকৈ চেক প্ৰদানৰ শুভাৰম্ভ কৰে। চেক লাভ কৰা মহিলাসকলৰ ৩০,৬৬৫ গৰাকী গ্ৰামাঞ্চলৰ আৰু ২,১২২ গৰাকী নগৰাঞ্চলৰ। মুখ্যমন্ত্ৰীয়ে ৰঙিয়া চহৰৰ ৪ নং ৱাৰ্ডত পৌৰসভাৰ কাৰ্যালয়ৰ সমীপত ৰঙিয়াৰ প্ৰথম মুক্তিযোদ্ধা, আধুনিক ৰঙিয়াৰ ৰূপকাৰ শান্তিৰাম লহকৰ উদ্যান উদ্বোধন কৰে। তেওঁ উদ্যানখনৰ ভিতৰত স্থাপন কৰা মুক্তিযোদ্ধা শান্তিৰাম লহকৰৰ এটা পূৰ্ণাবয়ৱ প্ৰতিমূৰ্তি আৰু তেখেতৰ স্মৃতিত প্ৰণীত এখন গ্ৰন্থও উন্মোচন কৰে। মুখ্যমন্ত্ৰীয়ে উদ্যানখনত নিৰ্মিত এটা সুদৃশ্য ক্লক টাৱাৰো মুকলি কৰে। ড° শৰ্মাই লগতে ৰঙিয়া টাউনত লোকনিৰ্মাণ বিভাগৰ এটা পৰিদৰ্শন বঙলা আৰু লোকনিৰ্মাণ বিভাগৰ উত্তৰ কামৰূপ পথ সংমণ্ডল আৰু উপ সংমণ্ডলৰ নৱনিৰ্মিত কাৰ্যালয় উদ্বোধন কৰে। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ এই সভাৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে লাচিত দিৱস উপলক্ষে মহাবীৰ লাচিত বৰফুকনৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণেৰে বীৰযোদ্ধাগৰাকীলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰে। সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই মহাবীৰ লাচিত বৰফুকনৰ জন্ম দিৱসত অসম মাতৃৰ বীৰ সন্তানগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰি কয় যে লাচিত বৰফুকনৰ সাহস, বীৰত্ব, শৌৰ্য আৰু বীৰ্যৰ বাবেই আহোম ১০ পৃষ্ঠাত

## ক্ষেত্ৰীত ভাৰত-ইজৰাইল কৃষি প্ৰকল্পৰ অধীনত শাক-পাচলিৰ উৎকৃষ্টতা কেন্দ্ৰ উদ্বোধন মুখ্যমন্ত্ৰীৰ

### উদ্যান শস্যৰ ওপৰত গুৰুত্ব দিলে কৃষকৰ আয় যথেষ্ট বৃদ্ধি পাব ঃ মুখ্যমন্ত্ৰী



**দিছপুৰ ঃ** অসমৰ কৃষিখণ্ডৰ আধুনিকীকৰণৰ প্ৰচেষ্টাৰ এক বৃহৎ মাইলৰ খুঁটি হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাৰত-ইজৰাইল কৃষি প্ৰকল্পৰ অধীনত কামৰূপ জিলাৰ ক্ষেত্ৰীত শাক-পাচলিৰ উৎকৃষ্টতা কেন্দ্ৰ উদ্বোধন কৰে। ৬৬ বিঘা মাটিত বিস্তৃত এই অত্যাধুনিক সুবিধাটোত জলবায়ু আৰু আদ্ৰতা নিয়ন্ত্ৰণ ব্যৱস্থাৰে সজ্জিত ১২০০ বৰ্গমিটাৰ ফেন-পেড সেউজগৃহ, মাটিবিহীন খেতি প্ৰযুক্তি আৰু প্ৰতিটো উৎপাদন চক্ৰত ৪.৫ লাখ উচ্চ মূল্যৰ শাক-পাচলি পুলি উৎপাদন কৰিব পৰাকৈ বুম জলসিঞ্চন ব্যৱস্থা আছে। সভাত ভাষণ দি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে উদ্বোধনী অনুষ্ঠানটো ৰাজ্যৰ কৃষি খণ্ডৰ বাবে এক উল্লেখযোগ্য দিন। তেওঁ উল্লেখ কৰে যে কেন্দ্ৰটোৱে ইজৰাইলৰ উন্নত কৃষি বিশেষজ্ঞতা আৰু অসমৰ উৰ্বৰ ভূ-প্ৰকৃতি আৰু কঠোৰ পৰিশ্ৰমী কৃষকসকলক একত্ৰিত কৰি ভাৰত-ইজৰাইল সহযোগিতাৰ শক্তিক প্ৰতিফলিত কৰে। ড° শৰ্মাই কয় যে প্ৰকল্পটো কাৰ্যকৰী কৰাত যথেষ্ট প্ৰত্যাহ্বান জড়িত হৈ আছে, কিয়নো ৬৬ বিঘাক বিশ্বমানৰ সুবিধালৈ ৰূপান্তৰিত কৰিবলৈ যথেষ্ট সম্পদ, সমন্বয় আৰু স্পষ্ট দৃষ্টিভংগীৰ প্ৰয়োজন। ভাৰত চৰকাৰে ৫০ লাখ টকা অনুমোদন দিছিল। ২০২০-২১ চনত এই প্ৰকল্পৰ বাবে ৫.৮৪ কোটি টকা আগবঢ়োৱাৰ বিপৰীতে এপাৰ্টে অতিৰিক্ত ৫.৮৪ কোটি টকা প্ৰদান কৰে। ভূমি উন্নয়ন আৰু আনুষংগিক কামৰ বাবে ৬০ লাখ টকা। ইজৰাইলৰ প্ৰযুক্তি আৰু কেন্দ্ৰীয় সাহায্যৰে নিৰ্মিত এই কেন্দ্ৰটোত আধুনিক আৰু উদ্ভাৱনীমূলক জলসিঞ্চন ব্যৱস্থাও আছে। তেওঁ লগতে কয় যে এই সুবিধাই কৃষি বিজ্ঞানী আৰু প্ৰগতিশীল কৃষকসকলৰ বাবে নিৰন্তৰ প্ৰশিক্ষণ কাৰ্যসূচী আগবঢ়াব, যিয়ে ৰাজ্যখনৰ উদ্যান শস্য খণ্ডৰ বৃদ্ধি ত্বৰান্বিত কৰাত সহায় কৰিব। মুখ্যমন্ত্ৰীয়ে যুৱক-যুৱতীসকলক কেন্দ্ৰটোত উপলব্ধ প্ৰশিক্ষণৰ সুযোগ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ জনোৱা মতে, ১০ পৃষ্ঠাত

## গোৱালপাৰা জিলা প্ৰশাসনৰ সহযোগত কৃষি বিভাগৰ ‘কৃষক সজাগতা সভা’



**ৰমেন ভৰালী, বংশৰ ঃ** ভাৰতীয় জনতা পাৰ্টি কৃষক মৰ্চা অসম প্ৰদেশৰ উদ্যোগত, কৃষক মৰ্চা গোৱালপাৰা জিলা প্ৰশাসনৰ সহযোগত কৃষি বিভাগৰ সৈতে যোৱা ২৫ নৱেম্বৰত গোৱালপাৰা জিলাৰ নটসূৰ্য ফণী শৰ্মা সভাকক্ষত এখন কৃষক সজাগতা সভা অনুষ্ঠিত হয়। ভাৰতীয় জনতা পাৰ্টি কৃষক মৰ্চা অসম প্ৰদেশৰ ৰাজ্যিক উপ-সভাপতি ৰাতুল পাঠক ডাঙৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত আদৰণি ভাষণেৰে সভাপতি মহোদয়ে আৰম্ভ কৰে সভাখন। সভাখনত উপস্থিত থাকে প্ৰায় গোৱালপাৰা জিলাৰ ৪০০ জন প্ৰগতিশীল কৃষকে। দ্বিতীয় পৰ্যায়ত সভাৰ উদ্দেশ্য ব্যাখ্যাত ভাষণেৰে কৃষকসকলক সম্বোধন কৰে কৃষক মৰ্চা অসম প্ৰদেশৰ ৰাজ্যিক সাধাৰণ সম্পাদক তথা কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্য্য ডাঙৰীয়াই। ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্যই কয় যে অন্নদাতা সকল হৈছে মানৱ জীৱনৰ মূল আধাৰ আৰু শ্ৰদ্ধাৰ ব্যক্তি, ১০ পৃষ্ঠাত

# অসম সাহিত্য সভাৰ বাঞ্ছিত লক্ষ্য সমন্বয় আৰু সম্প্ৰীতিৰ বন্ধন সৃষ্টি কৰা ঃ ড° বসন্ত কুমাৰ গোস্বামী



**ৰমেন ভৰালী, বংশৰ ঃ** আমৰণ, অভগণ সমুজ্বল হৈ ৰ'ব চন্দ্ৰকান্ত সন্দিকৈ ভৱন। এই ভৱনৰ পৰাই পৰাই অসম সাহিত্য সভাৰ বাঞ্ছিত লক্ষ্য সমন্বয় আৰু সম্প্ৰীতিৰ বন্ধন সৃষ্টি কৰিবলৈ অৰুণাচল প্ৰদেশৰ দৰেই মেঘালয় আৰু নাগালেণ্ডৰ লগতো এই সমন্বয়-সংস্কৃতিৰ সদ্ভাৱনা কাৰ্যসূচী সম্প্ৰসাৰ কৰা হ'ব। যোৱা ২৩ নৱেম্বৰত অসম সাহিত্য সভাৰ উদ্যোগত গোলাঘাট জিলা সাহিত্য সভাৰ ব্যৱস্থাপনাত আৰু দেৰগাঁও শতদল সাহিত্য সভাৰ আতিথ্যত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ মহোৎসৱ উপলক্ষে 'সুৰাগ-তোলা' অনুষ্ঠানত পৌৰোহিত্য কৰি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে এইদৰে কয়। আদৰণী সমিতিৰ সভাপতি নুৰুল চুলতানে আদৰণী ভাষণ আগবঢ়োৱা সভাখনত প্ৰধান সম্পাদক দেৱজিৎ বৰাই লক্ষ্য আৰু উদ্দেশ্যৰ কথকতা প্ৰসংগত কয়- 'অসম সাহিত্য সভাই অসমীয়া জাতিৰ সন্মুখত দানবীৰ ৰাধাকান্ত সন্দিকৈৰ মহৎ দানৰ মহত্বক উপস্থাপন কৰিব বিচাৰিছে; সূক্ষ্ম অনুভৱেৰে দানবীৰ ৰাধাকান্ত সন্দিকৈৰ এই অৱদান স্বীকাৰ কৰিবলৈ শিকিলেই অসমীয়া জাতিয়ে কৃতজ্ঞ জাতিৰ পৰিচিতি লাভ কৰিব। এশ বছৰৰ পাছত চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ দৰে এটা দানে অসমীয়া জাতিসত্তাক কিমান গৰিমামণ্ডিত কৰিলে সেয়া বুজিবলৈ আমি চেষ্টা কৰিবই লাগিব।' দেৱীচৰণ বৰুৱা ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° ৰঞ্জন ভট্টাচাৰ্যই সভাৰ উদ্বোধন কৰি কয় যে চন্দ্ৰকান্ত সন্দিকৈ ভৱন সমাজ গঠনৰ কেন্দ্ৰ; এই ভৱনৰ লগত অসম আৰু অসমীয়া জাতিৰ বহু স্মৃতি বিজড়িত হৈ আছে। গোলাঘাট জিলা সাহিত্য সভাৰ সম্পাদক দুলাল দাসে আঁতধৰা সভাখনত দেৰগাঁৱৰ সমজিলা আয়ুক্ত আই.এ.এছ সক্ষমা, লেখকদ্বয় ক্ৰমে ডাঃ অজিত বৰুৱা, অপূৰ্ব বল্লভ গোস্বামী, অসম সাহিত্য সভাৰ প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথ, পৰিৱেশ্য কলা সংৰক্ষণ আৰু সংবৰ্ধন উপ-সমিতিৰ আহ্বায়ক চৈয়দ মাৰুফ হুছেইন, যোৰহাট জিলা সাহিত্য সভাৰ জিলা প্ৰতিনিধি উত্তম কুমাৰ হাজৰিকা, সদৌ অসম ছাত্ৰ সন্থাৰ উপসভাপতি অভিৱৰ্তন গোস্বামী, গোলাঘাট জিলা সাহিত্য সভাৰ সভাপতি বন্তি বৰা প্ৰমুখ্যে অসম সাহিত্য সভা, জিলা সাহিত্য সভাসমূহৰ বহু সংখ্যক বিষয়ববীয়া উপস্থিত থাকি সহযোগিতা আগবঢ়ায়। অসম মহিলা বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° মহাশ্বেতা দেৱীয়ে 'সুৰাগ-তোলা' অনুষ্ঠানৰ স্মাৰক গ্ৰন্থ 'চন্দ্ৰকান্তি'ৰ উন্মোচন কৰি অসম সাহিত্য সভাৰ শতবৰ্ষ গৰকা কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ প্ৰাসংগিকতা বিদ্যমান বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। বহুকেইখন গ্ৰন্থ উন্মোচন হোৱা সভাখনত শলাগৰ শৰাই আগবঢ়াই দেৰগাঁও শতদল সাহিত্য সভাৰ সম্পাদক বিচিত্ৰ ভূষণ কলিতাই। চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে শুভাৰম্ভ হোৱা সভাখন জাতীয় সংগীত পৰিৱেশনৰে সফল সমাপ্তি ঘটে। ইফালে পুৱাৰ ভাগত পতাকা উত্তোলন, স্মৃতি তৰ্পণ কাৰ্যসূচীৰ পিছতে অসম সাহিত্য সভাৰ হিতৈষী সভ্য ডাঃ অৰুণজ্যোতি হাজৰিকাই উদ্বোধন কৰা বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাই সকলোকে মোহিত কৰে।

# নগাঁও বিশ্ববিদ্যালয়ত জিলা পৰ্যায়ৰ যুৱ সংসদ ২০২৪-২৫ সম্পন্ন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** অসম চৰকাৰৰ সংসদীয় পৰিক্ৰমা বিভাগৰ নিৰ্দেশত নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু নগাঁও বিশ্ববিদ্যালয়ৰ এন এছ এছ কোষ আৰু ছাত্ৰ একতা সভাৰ সহযোগত আয়োজিত যুৱ সংসদ নগাঁও বিশ্ববিদ্যালয়ত অনুষ্ঠিত হয়। এই যুৱ সংসদৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাই। ড° ডেকাই যুৱ সংসদ আয়োজন কৰাৰ বাবে নগাঁও জিলা প্ৰশাসন আৰু অসম চৰকাৰৰ সংসদীয় পৰিক্ৰমা বিভাগৰ শলাগ লয় আৰু যুৱ নেতা সৃষ্টি কৰাৰ এয়া এক প্ৰশংসনীয় পদক্ষেপ বুলি উল্লেখ কৰে। এই অনুষ্ঠানত জিলা প্ৰশাসনৰ তৰফৰ পৰা আদৰণী ভাষণ প্ৰদান কৰে সুমিত দাসে। দাসে ভৱিষ্যতে ৰাজনৈতিক ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক আগবাঢ়ি যোৱাত, সংসদৰ নিয়মাৱলী সম্পৰ্কে জনাত ছাত্ৰ-ছাত্ৰীক এই যুৱ সংসদে সহায় কৰিব বুলি মন্তব্য কৰে। নগাঁও বিশ্ববিদ্যালয়ৰ এন এছ এছৰ কাৰ্যসূচী সমন্বয়ক ড° ভুৱন চন্দ্ৰ চুতীয়াই আঁত ধৰা আৰু ড° অৰণি শইকীয়াই শলাগৰ শৰাই প্ৰদান কৰা এই অনুষ্ঠানত অংশগ্ৰহণ কৰে নগাঁও বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত কুল সচিব ধ্ৰুৱজ্যোতি বৰুৱাই। এই যুৱ সংসদৰ অধ্যক্ষতা কৰে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বিপুল কুমাৰ বৰা। বিচাৰক হিচাপে অংশগ্ৰহণ কৰে ক্ৰমে- ধনঞ্জয় তালুকদাৰ, হীৰকজ্যোতি বৰা আৰু দীপা শইকীয়াই। যুৱ সংসদত নগাঁও জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ বিৰানব্বৈজন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# হাজো শিক্ষাখণ্ডত শিক্ষণ শিকন সামগ্ৰীৰ প্ৰদৰ্শন আৰু প্ৰতিযোগিতা



**ৰমেন ভৰালী, বংশৰ ঃ** সমগ্ৰ শিক্ষা কামৰূপৰ অধীনত হাজোত খণ্ড পৰ্যায়ত শিক্ষণ শিকন সামগ্ৰীৰ প্ৰতিযোগিতাখনি হাজো আদৰ্শ বিদ্যাপীঠ হাইস্কুলত অনুষ্ঠিত হয়। চি আৰ চি চি দ্বীপকান্ত পাঠকে আঁতধৰা অনুষ্ঠানটিত খণ্ড শিক্ষা বিষয়া ইনামুল মজিদদেৱে টি এল এম প্ৰতিযোগিতাৰ আদৰণি ভাষণেৰে শুভাৰম্ভ কৰে। আদৰণি ভাষণত শিক্ষা বিষয়া গৰাকী য়ে উক্ত প্ৰতিযোগিতাৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক দিশত বেছি মনোগ্ৰাহী হ'ব বুলি উল্লেখ কৰে। টি এল এম প্ৰতিযোগিতাত হাজো শিক্ষা খণ্ডৰ মুঠ ৫৫ খন বিদ্যালয়ে অংশগ্ৰহণ কৰে। সাক্ষৰতা আৰু সাংখ্যিকতাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে উপকৃত হ'ব পৰাকৈ শিক্ষাগুৰু বৃন্দই নিজহাতে সৰ্বাঙ্গসুন্দৰভাৱে শিক্ষণ শিকন সামগ্ৰী প্ৰস্তুত কৰি প্ৰদৰ্শন কৰে। প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাত হাজো খণ্ড প্ৰাথমিকৰ সহঃপৰিদৰ্শক পুলক ঠাকুৰীয়া, হাজো আদৰ্শ বিদ্যাপীঠ হাইস্কুলৰ প্ৰধান শিক্ষক প্ৰদীপ কুমাৰ দাস, সভাপতি দ্বিজেন্দ্ৰ নাথ দাস, সমল ব্যাক্তি দীনেশ কলিতা, ধৰ্মেন্দ্ৰ বড়ো, আলাউদ্দিন আহমেদ, দুলুমনি কলিতা ওজা, মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক বৃন্দকে আদি কৰি প্ৰতিযোগিতাৰ বিচাৰক হিচাপে প্ৰসেনজিৎ শৰ্মা, সুৰভি দাস, অঞ্জনা ডেকা, তৃপ্তিময়ী তালুকদাৰ উপস্থিত থাকে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিখন বিদ্যালয়কে একোখনকৈ প্ৰশংসাপত্ৰ প্ৰদান কৰাৰ লগতে সাংখ্যিকতাৰ গন্ধমৌ ক্লাছটাৰ ৰাৱণবৈ যজ্ঞৰাম মেধি প্ৰাঃবিদ্যালয় প্ৰথম, পি.এম.শ্ৰী ৰামদিয়া প্ৰাঃ বিদ্যালয় দ্বিতীয় আৰু বংশৰ ক্লাছটাৰৰ ৪৮৮ নং গন্ধমৌ প্ৰাঃবিদ্যালয় তৃতীয় আৰু উদ্‌গনি হিচাপে কুলহাটী মজলীয়া বিদ্যালয়ে মানপত্ৰৰ লগতে একোটাকৈ মমেন্টো লাভ কৰে। আনহাতে সাক্ষৰতাত শিঙিমাৰী প্ৰাঃ বিদ্যালয় প্ৰথম, পশ্চিম শুৱালকুছি ক্লাছটাৰৰ শুৱালকুছি সনাতন বালিকা প্ৰাঃবিদ্যালয় দ্বিতীয়, ধাৰেশ্বৰ প্ৰাঃ বিদ্যালয় তৃতীয় আৰু উদ্‌গনি হিচাপে সোৱানচাহ মধ্য ইংৰাজী বিদ্যালয়ে মানপত্ৰৰ লগতে একোটিকৈ মমেন্টো লাভ কৰে। সমজুৱাৰ বক্তব্যত বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা জিলা কৃতী শিক্ষক ইন্দ্ৰ কান্ত বৈশ্য ই কয় যে শিক্ষন শিকক সামগ্ৰীৰ প্ৰতিযোগিতাখনি সমগ্ৰ শিক্ষা বিভাগৰ এক সুন্দৰ পদক্ষেপ বুলি ভূঁয়সী প্ৰশংসা কৰে আৰু খণ্ডৰ প্ৰতিখন বিদ্যালয়ৰ টি এল এম সামৰি মুকলি প্ৰদৰ্শন কৰিবলৈ আহ্বান জনায়। হাজো শিক্ষা খণ্ডৰ মুঠ ৩৩টা মণ্ডল সমল কেন্দ্ৰৰ কেইবা হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰী উক্ত প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাৰ জৰিয়তে উপকৃত হ'ব বুলি আশা কৰিব পাৰি।

# পাঠভৱন শিক্ষা ফাউনণ্ডেচন, বংশৰৰ তৃতীয় বৰ্ষপূৰ্তি অনুষ্ঠানৰ সামৰণি



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ বংশৰ তিনিআলিস্থিত পাঠভৱন শিক্ষা ফাউনণ্ডেচন, বংশৰৰ তৃতীয় বৰ্ষপূৰ্তি উপলক্ষে যোৱা ১৬ নৱেম্বৰৰ পৰা ২৪ নৱেম্বৰলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। মঞ্চ উদ্বোধন কৰে মধ্য ইংৰাজী শিক্ষক সংস্থাৰ সভাপতি, শিক্ষক গোলোক চন্দ্ৰ দাসে। লগতে সংগীত শিল্পী, হিয়াৰ আমঠু, হাৰ্টথ্ৰব জুবিন গাৰ্গ আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে অৱসৰী শিক্ষক কমলা কলিতাই। ইফালে চিত্ৰাংকণ, নৃত্য, গীত প্ৰতিযোগিতাৰ বিভিন্ন বিষয়ত স্থানপ্ৰাপ্তসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে নৃত্য গীত পৰিৱেশন কৰি দৰ্শক ৰাইজক আপ্লুত কৰি তোলা পৰিলক্ষিত হয়। পাঠভৱন শিক্ষা ফাউনণ্ডেচনৰ পৰিচালিকা পূৰবী শৰ্মাই আঁতধৰা অনুষ্ঠানত উপস্থিত থাকে, এচ.চি.মৰ্চা, ভাঃজঃপাঃ অসম প্ৰদেশ, উপ-সভাপতি প্ৰকাশ চন্দ্ৰ দাস, পূৱ বংশৰ সমন্বয় সমিতিৰ সভাপতি দিবাকৰ কলিতা, সদৌ অসম চিকিৎসা মহাবিদ্যালয় আৰু কৰ্মচাৰী সন্থাৰ সভাপতি, সাংবাদিক ৰমেন ভৰালী, সমাজকৰ্মী সুভাষ চন্দ্ৰ বৈশ্য ,পছৰীয়া কুশল কোঁৱৰ হাইস্কুলৰ শিক্ষক প্ৰাণকৃষ্ণ দাস, পাঠভৱন শিক্ষা ফাউণ্ডেশন ৰাজগড় শাখাৰ পৰিচালিকা দীপা সেন গুপ্তা, নৃত্য পৰিচালক বিশ্বজিৎ বৈশ্য, জিলা কৃতী শিক্ষক ইন্দ্ৰকান্ত বৈশ্য, দলিবাৰী হাইস্কুলৰ সহঃ শিক্ষক সনাতন বৈশ্য আৰু কাজল দাসৰ লগতে হাঁহিৰ খোৰাক জগায় প্ৰাণজিত দাস আৰু সঙ্গীবৃন্দই। অনুষ্ঠানৰ শেষত কণ্ঠশিল্পী কৰিস্মা ৰাণী, মহিম ৰাজ, ডাঃ শ্যামন্ত কলিতা, মৃন্ময় বৰা, সঙ্গীত শিল্পী নীলাধৰ নাথ, ইন্দ্ৰজিত কলিতাই গীত পৰিৱেশন কৰি পৰিৱেশ জীপাল কৰি তোলে।

# উত্তৰ পেটবড়াত ৰাস মহোৎসৱৰ উদ্‌যাপনৰ প্ৰস্তুতি



**লক্ষ্যজ্যোতি বৰা ঃ** ৰহাৰ উত্তৰ পেটবড়া শংকৰ মাধৱ কৃষ্টি বিকাশ কেন্দ্ৰ আৰু বন্তি পুথিভঁৰালৰ উদ্যোগত আৰু ৰাস উদ্‌যাপন সমিতিৰ সহযোগত অহা ২৯ আৰু ৩০ নৱেম্বৰ তাৰিখ শনিবাৰ আৰু দেওবাৰে পেটবড়া মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাংগণত দুদিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি ২৯ নৱেম্বৰ পুৱা ৬ বজাত পুৱা প্ৰসংগ, ৮ বজাত জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আৰু বৃক্ষৰোপণ, ১০ বজাত খোল প্ৰসংগ, ১০-৩০ বজাত নাম-প্ৰসংগ, ১২ বজাত প্ৰসাদ বিতৰণৰ পাছতে সন্ধিয়া ৫ বজাত বন্তি প্ৰজ্বলন, ৬ বজাত গায়ন বায়নৰ যোৰা, ৮ বজাত সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে নিশা ৯ বজাৰপৰা সুদক্ষ-পৰিচালক ধনমণি দাসৰ পৰিচালনাৰে গাঁৱৰ জীয়ৰী-বোৱাৰীৰ দ্বাৰা 'কেলিগোপাল নাট' মঞ্চস্থ কৰা হ'ব। ৩০ নৱেম্বৰত নিশা ৯ বজাত নাট্যকাৰ অভিজিৎ ভট্টাচাৰ্যৰ ৰচনা আৰু সু-পৰিচালক প্ৰতাপ কুমাৰ নাথৰ পৰিচালনাৰে এখন মঞ্চসফল সামাজিক নাট 'মহাত্মাৰ চকুপানী' মঞ্চস্থ কৰা হ'ব।

# আঘোণ মাহৰ ন-খোৱা উৎসৱ

■ **ললিত নাথ**
ইটাখোলা

**স্মৃ**তি আৰু স্বপ্নৰ অনুপম সমাহাৰ আঘোণৰ সোণোৱালী পথাৰ। সুৱাগমণি, মাণিকীমধুৰি, কণজহা, বকুলবৰা, কোমল, শ'লপোনা, হালধৰম, অকাশালি, বেতগুটি, জাহিঙা, শিয়ালকাটি, মাগুৰি, প্ৰসাদভোগ আদি বিভিন্ন থলুৱা জাতৰ ধানেৰে ভৰপূৰ পথাৰখনে দাৱনীসকলক বৰ্ণিল আহ্বান জনায়। শাওণৰ প্ৰখৰ সূৰুযৰ তাপত ঘামসৰা




পথাৰখনিত আঘোণে বুটা বাছে। কৃষকসকলে হাড়ক মাটি কৰি তেজক পানী কৰি পোৱা আঘোণৰ কেঁচা সোণসনা পথাৰখনলৈ চাই আত্মবিভোৰ হৈ পৰে। নিয়ৰ পিচলা পথাৰখন কাঁচিয়লি ৰ'দৰ পৰশত জিকমিকাই উঠে। সেয়েহে আনন্দিৰাম দাসৰ বনগীততো আঘোণ অপূৰ্ব বৰ্ণনাৰে বন্দিত হৈছে-

'আঘোণী অ' আঘোণী
মাতিলি পথাৰত
লখিমী চপাবলৈ...'

আঘোণ মানে জীৱন-জীৱিকাৰ উত্তাপ, প্ৰতিশ্ৰুতিৰ এক সোণালী পৃষ্ঠা, এক মাটিময়ী প্ৰত্যাশা, অনুভূতিৰ প্ৰাচুৰ্যৰে উপচি থকা এক বৈভৱশালী সময়।

শাকে, মাছে, ধানে দোঁখোৰাকৈ প্ৰাচুৰ্যৰ ভাৰেৰে ভাৰী এটি আঘোণ মাহ। পুখুৰীৰ মাছ, বাৰীৰ কবি, বেঙেনা, ৰঙালাও, মূলা, জাতিলাও, ফুলকবি আদি অজস্ৰ ভোগৰ সম্ভাৰেৰে চৌদিশ উপচি পৰে।

আঘোণৰ সোণালী পথাৰখনৰ পৰা সোমবাৰ অথবা বৃহস্পতিবাৰে এমুঠি ধান সভক্তিৰে কাটি গামোচাত মেৰিয়াই গোবৰ মাটিৰে লিপি পবিত্ৰ কৰি থোৱা ভঁৰাললৈকে আদৰি আনি ধানকটা পৰ্বৰ শুভাৰম্ভ কৰা হয়। এই সময়তে অসমীয়া কৃষিজীৱী সমাজে উদ্‌যাপন কৰে ন-খোৱা উৎসৱ।

নতুন ধানৰ চাউল দেৱ-দেৱীক অৰ্পণ কৰি লোৱাটোৱেই হৈছে এই উৎসৱৰ মূল অভিপ্ৰায়। এই পৰম্পৰাই মানুহে নিজৰ সৃষ্টিশীলতা আৰু পৰিশ্ৰমৰ ফলক ঈশ্বৰক উৎসৰ্গা কৰি প্ৰকৃত শ্ৰদ্ধা প্ৰকাশ কৰে। ন-খোৱাৰদিনা ঘৰৰ গৃহিণীসকলে ভঁৰাল ঘৰত চাকি-বন্তি জ্বলাই প্ৰাৰ্থনা কৰে। ন-ধান বানি সেই চাউল সৰ্বপ্ৰথমে নামঘৰ অথবা মন্দিৰত ভগৱানৰ নামত অৰ্চনা কৰা হয়। অসমৰ কোনো কোনো অঞ্চলত পদূলিৰ সন্মুখত কলপুলি পোতাৰ নিয়মো প্ৰচলিত আছে।

নবান্ন উৎসৱৰ বাবে ন-ধানৰ চাউলৰ ভাত ৰন্ধা হয়। ৰাজহুৱা পুখুৰী মাৰি ধৰা ৰৌ, ব'ৰালি, শ'ল মাছ জাতিলাও আৰু বিলাহীৰে ৰন্ধা আঞ্জা, মচুৰ মাহ, ৰহৰ মাহৰ দাইল, নহৰুৰে তেল মৰা সুগন্ধি মাটি দাইল আৰু বন্ধাকবি, ফুলকবি, মূলা, বেঙেনা, পানীলাও ৰঙালাও আদিৰ লেবেৰা ভাজি ৰন্ধা হয়। ইয়াৰ উপৰিও কোমোৰা আৰু তেলাল হাঁহৰ মাংসৰ জোল বনোৱা হয়। সকলো প্ৰস্তুত হোৱাৰ অন্তত গাঁৱৰ বয়োজ্যেষ্ঠসকলক প্ৰথমে শাৰী শাৰীকৈ বহুৱাই এভাগ তামোল-পান আগবঢ়াই সেৱা ধৰি ন-খোৱাৰ শুভৰাম্ভ কৰা হয়। আঘোন মাহৰ ন-খোৱা অসমীয়া সমাজৰ কৃষিভিত্তিক সংস্কৃতিৰ এক বিশেষ পৰম্পৰা।

এই উৎসৱে সমাজৰ ধৰ্মীয় আৰু সামাজিক জীৱনৰ মাজত গভীৰ তাৎপৰ্য বহন কৰে। নবান্ন উৎসৱে কৃষিজীৱী সমাজৰ সুখ-সমৃদ্ধিৰ প্ৰতীক হিচাপে স্থান দখল কৰি আহিছে। নখোৱাৰ মাজেৰে সমাজৰ লোকসকলৰ মাজত ঐক্য আৰু সম্প্ৰীতিৰ এনাজৰীডাল অধিক কটকটীয়া হয়। এই ৰীতি-নীতিবোৰে অসমীয়া লোকজীৱনৰ চহকী সংস্কৃতিৰ পৰিচায়ক। এই উৎসৱে আমাৰ প্ৰকৃতি আৰু কৃষিজীৱনৰ মাজত সংযোগ স্থাপন কৰে। সেয়েহে আঘোন মাহৰ নখোৱা উৎসৱ কেৱল খাদ্য বা শস্য আহৰণৰ পৰম্পৰা নহয়, ই সামাজিক, ধৰ্মীয় আৰু পৰিৱেশগত জীৱনৰ মাজত আন্তঃসংযোগ গঢ়ি তোলা এক অনন্য উৎসৱ। ই অসমীয়া সংস্কৃতিৰ মৌলিক সত্তা আৰু আত্মগৌৰৱৰ প্ৰতীক। ন-খোৱা অনুষ্ঠানৰ বিভিন্ন ৰীতি-নীতি, পৰম্পৰাই অসমীয়া সংস্কৃতিক উজ্জীৱিত কৰি সংস্কৃতিক সমৃদ্ধ কৰি ৰাখিছে। ধান কটাৰ অন্তত লক্ষ্মীক আদৰি অনাৰ পাছত কুমলীয়া বাহৰ চুঙাত চুঙাপিঠা পোৱা হয়। আত্মীয় স্বজন তথা চুবুৰীয়াৰ স'তে চুঙাপিঠা খোৱা পৰম্পৰা সমন্বয়ৰ এক প্ৰতিভূ। কিন্তু আজি আঘোণৰ নাই সেই সৌন্দৰ্য সুষমা। আঘোণ এতিয়া নিঃস্ব সময়ৰ বুকুত নিস্তেজ, নিষ্প্ৰাণ।

আজিকালি আগৰ দৰে ৰাজহুৱা ন-খোৱা উৎসৱ গাঁওসমূহত দেখিবলৈ পোৱা নাযায়। গাঁওসমূহত ব্যক্তিগতভাৱে সীমিত সংখ্যক মানুহৰ উপস্থিতিত মাথোঁ পৰম্পৰা ৰক্ষাৰ চেষ্টাহে কৰে। অসমৰ এগৰাকী প্ৰসিদ্ধ কবি আৰু গীতিকাৰ ড° নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত অসমৰ কৃষিজীৱী সমাজখনৰ পৰা মনোমোহা দৃশ্যবোৰ আৰু চহাজীৱন হেৰাই যোৱাত কবিমনে হাহাকাৰ কৰি উঠিছে-

'তেওঁৰ পিছে পিছে গ'লগৈ
আঘোণৰ সোণবৰণীয়া ৰ'দ
খেৰৰ চুবুৰিটো, বাঁহ বননিৰ
কেঁচা আলিটো
আৰু গান গোৱা চৰাইজাক
গৈ আছিল আৰু গ'লগৈ... ।'

আজি বিপন্নপ্ৰায় আঘোণৰ পথাৰ। যান্ত্ৰিকতাই এপদ এপদ কৰি গ্ৰাস কৰি নিছে কৃষিজীৱী গাঁৱলীয়া সমাজখনৰ সম্পদবোৰ।অন্নদাতা আঘোণৰ পথাৰখন টুটি আহিব ধৰিছে।

অন্নদাতা আৰু স্বাৱলম্বনৰ মাধ্যম আঘোণৰ পথাৰখনিৰ সংকোচন আমাৰ বাবে হৈ পৰিছে এক বৃহৎ প্ৰত্যাহ্বান। সভ্যতাক প্ৰতিনিধিত্ব কৰা পথাৰখনিৰ আজি বিপন্ন হ'বলৈ ধৰিছে। বৰ্ণিল আঘোণীয়া পথাৰখন আজি কংক্ৰিটৰ ভৰত পেপুৱা লাগিছে।জনসংখ্যাৰ দ্ৰুত বিস্ফোৰণে আজি আঘোণৰ পথাৰক আহত কৰি পেলাইছে। অতিশীঘ্ৰে পথাৰসমূহ সংৰক্ষণ নকৰিলে আঘোণীয়া পথাৰখন বিলুপ্ত হৈ পৰিব। পথাৰহীন এখন দেশৰ ভৱিষ্যৎ অন্ধকাৰচ্ছন্ন। দেশৰ অৰ্থনীতিৰ বুনিয়াদ ৰচনা কৰা বিপুল পথাৰসমূহক আমি জীয়াই ৰাখিবই লাগিব। আঘোণ সদায় আমাৰ আপোন। আঘোণৰ ধানৰ শীহেদি কৃষকৰ বুকুলৈ সঞ্চাৰিত হওক এক সোণোৱালী অনুভূতি।

**ম'বাইল ঃ** ৯৯৫৪১-৩৯৪৯৩

# নগাঁৱৰ জিলা নৗনৈ নৈ- পামত বন্যহস্তীৰ আক্ৰমণত এগৰাকী মহিলাৰ মৃত্যু

## বন বিভাগৰ চৰম গাফিলতিৰ ফলত সংঘটিত হৈছে এনে হৃদয় বিদাৰক ঘটনা- স্থানীয় ৰাইজ

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ সদৰ আৰক্ষী চকীৰ অন্তৰ্গত নৗনৈ নৈ-পামত পুৱাৰ ভাগত বন্যহস্তীৰ আক্ৰমণত এগৰাকী মহিলাৰ মৃত্যুক কেন্দ্ৰ কৰি স্থানীয় ৰাইজৰ মাজত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজে জানিবলৈ দিয়া মতে- পুৱাৰ ভাগত নৈপামৰ ৰৌমাটি অঞ্চলৰ দুগৰাকী মহিলা প্ৰাতঃ ভ্ৰমণলৈ অহাৰ সময়তেই প্ৰাক্তন কাউঞ্চিলাৰ ৰিপুমণি দাস (৫০) নামৰ এগৰাকী মহিলাৰ বনৰীয়া হাতীৰ গছকত মৃত্যু হোৱা ঘটনাই অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। ইপিনে একেলগে যোৱা মাধৱী দাস (৬০) নামৰ মহিলাগৰাকীয়ে দৌৰি যোৱাত কোনোমতে হাটীৰ আক্ৰমণৰ পৰা প্ৰাণ ৰক্ষা পৰে। খৱালি কাল অহাৰ সময়ছোৱাত সঘনাই নৈ-পামৰ এই বৃহত্তৰ অঞ্চলটোত বনৰীয়া হাটীয়ে এনে উপদ্ৰৱ কৰা ঘটনা পূৰ্বৰ পৰাই সংঘটিত হৈ আহিছে। স্থানীয় লোকৰ তৎপৰতাত হাতী খেদাৰ ব্যৱস্থা হাতত লৈছে যদিও সফল হ'ব পৰা নাই। ৰাইজৰ অভিযোগ অনুসৰি বিয়াগোম নগাঁৱৰ বন বিভাগৰ চৰম হেমাহিৰ ফলত সঘনাই এনে হৃদয় বিদাৰক ঘটনা সংঘটিত হৈছে বুলি জানিবলৈ দিয়ে। উল্লেখ্য যে মহিলা গৰাকী মৃত্যুৰ সময়ত দুটি সন্তান আৰু নিজ স্বামীক এই ইহসংসাৰত এৰি থৈ যায়।

# সিন্ধুৰা হাজৰিকা কাপ প্ৰাইজমানি ফুটবল

**বিশেষ সংবাদদাতা, নগাঁও ঃ** উৰিয়াগাঁও আঞ্চলিক উন্নয়ন সমিতিৰ উদ্যোগত ক্ষুদ্ৰ ব্যৱসায়ী সন্থাৰ সহযোগত আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উৰিয়াগাঁও আঞ্চলিক সমিতিৰ ব্যৱস্থাপনাত আয়োজন কৰা জুবিন গাৰ্গলৈ উৎসৰ্গিত ইতিহাস প্ৰসিদ্ধ সিন্ধুৰা হাজৰিকা কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ খেলত আঞ্জুকপানী ফুটবল ক্লাবে ছেমিফাইনেলত প্ৰৱেশ কৰিছে। ৮টা দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনৰ খেলত আঞ্জুকপানী ফুটবল ক্লাবে বঢ়মপুৰ ফুটবল ক্লাবক ৪-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আনএখন গুৰুত্বপূৰ্ণ খেলত নৱম সশস্ত্ৰ অসম আৰক্ষী বাহিনী বঢ়মপুৰ আৰু কঠালগুৰি ফুটবল ক্লাব চামগুৰিয়ে প্ৰতিদন্দ্বিতা আগবঢ়াব।

# নগাঁও জিলা সংস্কৃত ভাষা বিকাশ মঞ্চৰ উদ্যোগত আৰু সদৌ অসম দেৱদামোদৰ সংঘৰ সহযোগত মহাকবি কালিদাস বিৰচিত কালজয়ী নাট 'অভিজ্ঞান শকুন্তলম'ৰ সফল মঞ্চায়ন



**ৰমেন ভৰালী, বংশৰ ঃ** নগাঁও জিলা সংস্কৃত ভাষা বিকাশ মঞ্চৰ উদ্যোগত আৰু সদৌ অসম দেৱদামোদৰ সংঘৰ সহযোগত যোৱা ২০ নৱেম্বৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত সন্ধিয়া ৬-০০ বজাত মহাকবি কালিদাস বিৰচিত কালজয়ী নাট 'অভিজ্ঞান শকুন্তলম'ৰ সফল মঞ্চায়ন সুকলমে অনুষ্ঠিত হৈ যায়। সমগ্ৰ বিশ্বৰ অন্যতম প্ৰাচীন সংস্কৃত ভাষা যি ভাষাৰ জৰিয়তে ভাৰতীয় সভ্যতা, সংস্কৃতি গঢ় লৈ উঠিছিল লাহে লাহে বিলুপ্তিৰ পথত। ১৯৯৯ চনত নগাঁও জিলা সংস্কৃত ভাষা বিকাশ মঞ্চৰ কিছুমান বিশেষ ব্যক্তিৰ উদ্যোগত এটি শুভ দিনত কিছুমান বিশেষ ব্যক্তিৰ সহায়ত এই মঞ্চৰ জন্ম হৈছিল আৰু জন্মলগ্নৰে পৰাই সংস্কৃত ভাষা বিকাশ আৰু প্ৰসাৰৰ বাবে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, নাট, গীত, কবিতা, প্ৰবন্ধ, সাহিত্য আদি সৃষ্টিৰ জৰিয়তে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে আৰু নতুন নতুন পৰিকল্পনাৰে ভৱিষ্যতেও অব্যাহত ৰাখিব। সদৌ অসম দেৱদামোদৰ সংঘৰ কেন্দ্ৰীয় সমিতিৰ কেইজনমান বিশেষ ব্যক্তিৰ বিশেষকৈ সভাপতি ৰামচৰণ ভৰালী, প্ৰধান সম্পাদক মনোৰঞ্জন গোস্বামী, প্ৰকাশন সচিব নৃপেন্দ্ৰ কুমাৰ ভাগৱতী আৰু মুখপাত্ৰ কনকেশ্বৰ গোস্বামী আদি কৰি কেইবাজনো বিষয়ববীয়াৰ লগত আলোচনা কৰি সিদ্ধান্ত মৰ্মে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব শ্ৰদ্ধাৰ সুদৰ্শন ঠাকুৰ মহাশয়ৰ অনুমোদন মৰ্মে এই নাটকখন মঞ্চস্থ কৰা হয়। নাটক মঞ্চস্থ কৰাৰ আগতে পদ্মভূষন বঁটা প্ৰাপক শ্ৰদ্ধাৰ যতীন গোস্বামী, অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ বিষয়ববীয়া ধীৰেন শৰ্মা, প্ৰাক্তন সভাপতি সূৰ্য হাজৰিকা,সদৌ অসম দেৱদামোদৰ সংঘৰ সভাপতি ৰামচৰণ ভৰালী, প্ৰকাশন সচিব নৃপেন্দ্ৰ কুমাৰ ভাগৱতী, সংস্কৃত বিকাশ মঞ্চৰ সদস্য গুণ শইকীয়া আদি বিশিষ্ট ব্যক্তিসকলৰ দ্বাৰা বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা হয়। মঞ্চত শ্ৰদ্ধাৰ যতীন্দ্ৰ নাথ গোস্বামী, ধীৰেন শৰ্মা, ৰামচৰণ ভৰালী, নৃপেন্দ্ৰ কুমাৰ ভাগৱতী, গিৰিন্দ্ৰ কুমাৰ বৰুৱা, সূৰ্য হাজৰিকা, গুন শইকীয়া, ৰাজেন শৰ্মা, মনোৰঞ্জন গোস্বামী, কনকেশ্বৰ গোস্বামী, ড° ধৰ্মেশ্বৰ গোস্বামীকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। মঞ্চ উদ্বোধন কৰে পদ্মভূষণ বঁটা প্ৰাপক শ্ৰদ্ধাৰ যতীন গোস্বামীয়ে। সৰ্বশ্ৰী কুণ্ডল কুমাৰ বৰা, ৰুবুল কুমাৰ মহন্ত, তন্মী ফুকন, নিবেদিতা গৌতম, চিংকি কলিতা বৰা, ড° দ্বিজেন শৰ্মা, বৰ্ণালী পৰাশৰ, পুতুল শৰ্মা, বিকাশ বৰা, নৱজ্যোতি গোস্বামী, মন্টুল শৰ্মা, প্ৰকাশ শইকীয়া, যুগল হাজৰিকা, প্ৰশান্ত গোস্বামী, সত্যপ্ৰসাদ শৰ্মা, বৰ্ণম গোস্বামী, জিষ্ণু বেজবৰুৱা, কুশীলব বৰা, কমলেশ শইকীয়া, পূৰ্ণিমা গোস্বামী, খ্যাতি প্ৰিয়ম বৰা, মানসী দেৱী, যোষিতা শৰ্মা আদি শিল্পী সকলৰ অভিনয়ে দৰ্শকৰ অফুৰন্ত সঁহাৰি লাভ কৰে। আয়োজক ড° ধৰ্মেশ্বৰ গোস্বামীয়ে বিশিষ্ট ব্যক্তিসকল, উদ্যোক্তা, নিমন্ত্ৰিত অতিথি, বাদ্য যন্ত্ৰৰ শিল্পী, অভিনেতা-অভিনেত্ৰীসকলক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে সদৌ অসম দেৱদামোদৰ সংঘ আৰু শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰৰ তৰফৰপৰা সহায় সহযোগৰ বাবে অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।


# নগাঁৱত অন্যান্য পিছপৰা শ্ৰেণীৰ মৰ্চাৰ উদ্যোগত লাচিত দিৱস উদযাপন




**বিশেষ সংবাদদাতা, নগাঁও ঃ** বিজেপি অন্যান্য পিছপৰা শ্ৰেণী মৰ্চা নগাঁও জিলাৰ উদ্যোগত আৰু পাখিমৰীয়া জামুগুৰি মণ্ডলৰ সহযোগত দেওধৰ গাঁও পঞ্চায়তৰ সভাগৃহত লাচিত দিৱসটি উলহ মালহেৰে উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে লাচিত বৰফুকনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলী অৰ্পণৰে শুভাৰম্ভণি কৰা হয়। অনুষ্ঠাটিত সভাপতিত্ব কৰে দেওধৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি তথা বৰ্তমানৰ দেওধৰ মণ্ডলৰ সভাপতি মৃদুল ফুকনে। অনুষ্ঠানত উপস্থিত থাকে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, অন্যান্য পিছপৰা শ্ৰেণী মৰ্চাৰ ৰাজ্যিক সাধাৰণ সম্পাদক কুলদ্বীপ বৰা, অন্যান্য পিছপৰা শ্ৰেণী মৰ্চাৰ নগাঁও জিলাৰ সভাপতি প্ৰনৱ বৰা, পাখিমৰীয়া জামুগুৰি মণ্ডলৰ সভাপতি উজ্বলজ্যোতি বৰা, বৰপাথৰি বাপুজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা জুনমনি দেৱী, অন্যান্য পিছপৰা শ্ৰেণী মৰ্চাৰ ৰাজ্যিকৰ সদস্য তথা হোজাই জিলা সহ প্ৰভাৰী পংকজ বৰা, বিজেপি ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য তথা বঙাইগাঁও জিলাৰ প্ৰভাৰী বিকাশ বৰা, আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী সংগীতা ভূঞা, দেওধৰ গাঁও পঞ্চায়তৰ সভাপতি ৰক্তিমজ্যোতি বৰাকে প্ৰমুখ্যে কৰি ভালেসংখ্যক গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

# নগাঁৱৰ উৰিয়াগাঁৱত আছুৰ উদ্যোগত জুবিন গাৰ্গৰ ওপজা দিনত জুবিন সংগীত প্ৰতিযোগিতা সম্পন্ন

## জুবিন গাৰ্গৰ নিচিনা এজন মানৱ দৰদী মানুহৰ অন্যায় কৰি কোনো সাৰি যাব নোৱাৰে ঃ ৰাজা বৰুৱা



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ উৰিয়াগাঁও আঞ্চলিক ছাত্ৰ সন্থা (আছু)ৰ উদ্যোগত অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক ওপজা দিনৰ লগত সংগতি ৰাখি উৰিয়াগাঁও খেলপথাৰত যোৱা ১৮ নৱেম্বৰত জুবিন সংগীত প্ৰতিযোগিতাখনি অনুষ্ঠান হৈ যায়। এই উপলক্ষে পুৱা পতাকা উত্তোলন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে নগাঁও জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা নিতুল বনিয়াই। শ্বহীদ তৰ্পণ কৰে নগাঁও মহকুমা ছাত্ৰ সন্থাৰ উপ সভাপতি বেদান্ত ৰক্তিম বৰাই। ইয়াৰ পিছতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে ছাত্ৰ সন্থাৰ বিষয়ববীয়া, সদস্যসকলৰ লগতে জুবিন গাৰ্গৰ অনুৰাগীসকলে। দুপৰীয়া জুবিন সংগীত প্ৰতিযোগিতাখনি উদ্বোধন কৰে বিশিষ্ট কণ্ঠশিল্পী কৃষ্ণমণি নাথে। দুটা শাখাত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনত শতাধিক প্ৰতিযোগীৰ কণ্ঠত প্ৰাণ পাই উঠে প্ৰাণৰ শিল্পীগৰাকীৰ এটাৰ পিছত আনটো চিৰসেউজ গান। প্ৰতিযোগিতাখনত বিচাৰকৰ আসন অলংকৃত কৰে জনপ্ৰিয় কণ্ঠশিল্পী অনুপম শইকীয়া আৰু গীতিকাৰ, সুৰকাৰ তথা সংগীত পৰিচালক মৃনালকান্তি মেধিয়ে। অনুষ্ঠানটিত বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয় জুবিন গাৰ্গৰ সৈতে বিগত তিনিটা দশক বাদ্য সংগত কৰা সহযোগী ৰাজা বৰুৱাক। অনুষ্ঠানটিত উপস্থিত থাকি বাদ্যযন্ত্ৰী শিল্পী ৰাজা বৰুৱাই সাংবাদিকৰে হোৱা কথা-বতৰাত কয়- জুবিন গাৰ্গ আমাৰ প্ৰত্যেকজন মানুহৰ মাজত তেজে তেজে, শিৰাই শিৰাই সোমাই আছে। নতুন প্ৰজন্মৰ মাজত জুবিন গাৰ্গৰ কৰ্মৰাজি আগবঢ়াই লৈ যাব লাগিব। তেতিয়াহে তেওঁ আমাৰ মাজত সদায় জীয়াই থাকিব। তেওঁ আৰু কয়- জুবিন গাৰ্গ এজন মানৱদৰদী ব্যক্তি আছিল। গোটেই জীৱন মানুহৰ বাবে কাম কৰিছিল। তেওঁৰ যি আছিল সকলো সমাজৰ বাবে বিলাই থৈ গ'ল। জুবিন গাৰ্গৰ নিচিনা এজন মানুহক অন্যায় কৰি কোনো সুখত থাকিব নোৱাৰে। জুবিন গাৰ্গে ন্যায় পাবই লাগিব। দুপৰ নিশালৈকে অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনত 'ক' শাখাত কুনচাং বলং তামাঙে প্ৰথম, উদ্দীপনা বৰাই দ্বিতীয়, ধৃতি তপস্যা বৰাই তৃতীয় স্থান আৰু বিচাৰকৰ বিশেষ বঁটা লাভ কৰে বিমুগ্ধা বিস্মিতা বৰাই। আনহাতে 'খ' শাখাত আয়ুশ্ৰী দাস, জ্যোতি আদিত্য নাথে যুটীয়াভাৱে প্ৰথম, হৃষিকা বৰা, জুবলী বৰাই যুটীয়াভাৱে দ্বিতীয়, উন্মনা হাজৰিকা, পল্লৱী বৰাই যুটীয়াভাৱে তৃতীয় স্থান আৰু উদ্‌গনিমূলক বঁটা লাভ কৰে মহাবীৰ ৰয়ে। অঞ্চলটোৰ সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰা অনুষ্ঠানটোত সদৌ অসম ছাত্ৰ সন্থাৰ বিত্ত সম্পাদক গৌৰী শংকৰ শইকীয়া, ক্ৰীড়া সম্পাদক মৃগাংক শেখৰ ভড়ালী হাজৰিকা, নগাঁও জিলাৰ ছাত্ৰ সন্থাৰ সভাপতি সীমান্ত বৰা, সাধাৰণ সম্পাদক কংকন জ্যোতি বৰুৱা, নাট্যকৰ্মী কমলেশ শইকীয়া, ৰাজ হাজৰিকা, জনাৰ্দন গোস্বামী আদি উপস্থিত আছিল। অনুষ্ঠানটোৰ আঁত ধৰে সাংবাদিক অংশুমান গোস্বামীয়ে। উল্লেখযোগ্য যে, প্ৰতিযোগিতাখনত পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হোৱা শ্ৰেষ্ঠ প্ৰতিযোগীসকলক যোৱা ২২ নৱেম্বৰত বিয়লি নগাঁও জিলা ছাত্ৰ সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত হোৱা এক অনুষ্ঠানত নগদ ধন আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হয় বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

# 'কবিতা হয় যদি হওঁক নহয় যদি নহওঁক'....

## চুটিগল্পৰ জনক লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ বিষয়ে অকণমান অনুভৱ .......

■ **অনামিকা (সংগীতা) কলিতা,** শুৱালকুছি


**বি**শিষ্ট সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱাদেৱ মোৰেই নহয় সকলো অসমীয়াৰ প্ৰিয় লেখক আছিল। খুহুতীয়া সম্ৰাট নামেৰে পৰিচিত। সেই সময়ত অসমীয়া ৰক্ষণশীল সমাজত খুব নীতি নিয়ম নিৰ্ধাৰণ কৰা আছিল। যেনেকৈ তেনেকৈ কথা কোৱা বা হাঁহি ধেমালি দোষণীয় বুলি ভাবিছিল। গতিকে অসমীয়া সমাজখনক খুহুতীয়া ধেমালি কৰা এক নতুন ধাৰা ৰস তেখেতে আনিছিল নিজৰ লেখাৰ জৰিয়তে। কৃপাবৰ বৰুৱা, বুঢ়ী আইৰ সাধু ইত্যাদি অন্যতম।

তেখেতে অসমীয়া ভাষা উন্নতি সাধনৰ কাৰণে যথেষ্ট কষ্ট কৰিছিল। জোনাকী যুগৰ ত্ৰিমূৰ্তি ভিতৰত তেওঁ অন্যতম। লক্ষ্মীনাথ বেজবৰুৱা দেৱৰ জন্ম ১৮৬৪ চনৰ ১৪ অক্টোবৰ আহঁতগুৰি নামে ঠাইত। দেউতাক এগৰাকী মুন্সিফ আছিল। ইংৰাজৰ অধীনত চাকৰি কৰিছিল। দেউতাকৰ কৰ্মসূত্ৰে নগাঁৱৰ পৰা বৰপেটালৈ বদলি হৈছিল। তেতিয়াৰ দিনত যান-বাহন আৰু বাট পথৰ তেনেকৈ সুবিধা নাছিল। গতিকে নৌকাৰে পৰিয়ালৰ সৈ গৈ থাকোঁতে ৰাতি হোৱাত আহঁতগুৰি নামে ঠাইত নৌকা ৰখালে তাতেই লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম হৈছিল। সেই দিনা পূৰ্ণিমাৰ ৰাতি লক্ষ্মীপূজা আছিল। সেই কাৰণে তেখেতৰ নাম লক্ষ্মীনাথ ৰাখিলে।

তেওঁৰ বৰপেটা, তেজপুৰ, কলিকতা ইত্যাদি ঠাইত নিজৰ শৈশৱ কৈশোৰ যৌৱন অতিবাহিত হয়। শিক্ষাৰ কাৰণে সেই ঠাইবোৰৰ বিশেষত্ব আছে। ১৯ ৩৮ চনত লক্ষ্মীনাথ বেজবৰুৱাৰ মৃত্যু হৈছিল। তেখেতৰ মৃত্যুত বৃহৎ অসমীয়া জাতিৰ অপূৰণীয় ক্ষতি অনুভৱ কৰিছিল এতিয়াও কৰে।

ম'বাইল ঃ ৭০০২৯-৪২৫৯১

# নগাঁও জিলা মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতি যতীন্দ্ৰনাথ হাজৰিকাৰ মৃত্যুত অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ



**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ ৪২'ৰ তেজে ধোৱা ঐতিহাসিক বঢ়মপুৰৰ হাজৰিকাচুক নিৱাসী শ্বহীদ লক্ষী হাজৰিকাৰ জ্যেষ্ঠ পুত্ৰ, অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত মুক্তিযুঁজাৰু পেঞ্চনাৰ তথা নগাঁও জিলা মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতি যতীন্দ্ৰনাথ হাজৰিকা যোৱা নিশা ৬.১৫ বজাত বাৰ্দ্ধক্যজনিত কাৰণত নগাঁৱৰ জ্যোতিনগৰস্থিত নিজা বাসভৱনত পৰলোকপ্ৰাপ্তি হয়। সৰ্বৰহী লোকজনৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে মুক্তিযুঁজাৰু সন্মিলনৰ বিষয়ববীয়া সমন্বিতে সদস্য সকল আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি তথা গুণমুগ্ধসকলে গভীৰ দুখ প্ৰকাশ কৰাৰ লগতে নগাঁও সদৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া হৃষীকেশ বৰুৱাই নিশাই আহি এখন ফুলাম গামোছাৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পুৱাৰ ভাগত তেখেতৰ বাসগৃহত লোকেলোকাৰণ্য এক পৰিৱেশৰ সৃষ্টি হয় আৰু অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত নগাঁৱৰ অন্তিম গৰাকী মুক্তিযুঁজাৰু পেঞ্চনাৰৰ আত্মাৰ সদ্‌গতি কামনাৰে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত নগাঁও সদৰ সমষ্টিৰ সন্মানীয় বিধায়ক ৰূপক শৰ্মাৰ লগতে বহু গণ্যমান্য গুণমুগ্ধ উপস্থিত থাকে। নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু নগাঁও জিলা মুক্তিযুঁজাৰু সন্মিলনৰ সহযোগত সদ্যপ্ৰয়াত যতীন্দ্ৰনাথ হাজৰিকাক ৰাজ্যিক মৰ্যদাৰে কৰা শেষকৃত্য সমাপন অনুষ্ঠানত নগাঁৱৰ আৰক্ষী অধীক্ষক, স্বপ্ননীল ডেকা প্ৰমুখ্যে আৰক্ষী প্ৰশাসনৰ লোকসকল উপস্থিত থাকি নিয়মানুসাৰে শ্ৰদ্ধা জ্ঞাপন কৰে। অনুষ্ঠানটিত নগাঁও জিলা মুক্তিযুঁজাৰু সন্মিলনৰ তৰফৰ পৰা বিষয়ববীয়া আৰু সদস্যসকলে হাজৰিকা দেৱক সন্মিলনৰ পতাকা, গামোচা আৰু পুষ্পাঞ্জলিৰে শেষ শ্ৰদ্ধা জনোৱাৰ লগতে নগাঁও জিলা মুক্তিযুঁজাৰু ভৱন প্ৰাংগণত এসপ্তাহৰ বাবে পতাকা অৰ্দ্ধনমিত কাৰ্যসূচী ৰূপায়ণ কৰে। নগাঁও জিলা প্ৰশাসনৰ তৰফৰ পৰা নগাঁও পৌৰ সভাৰ উপ-পৌৰপতি, সীমান্ত বৰা; নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, মনোজ চিকাৰীয়া; নগাঁও সদৰ চক্ৰৰ চক্ৰ বিষয়া হৃষীকেশ বৰুৱা; সমাজ কৰ্মী মৃনাল হাজৰিকা আদিকে ধৰি বহু লোকে এক শোকাকুল পৰিৱেশত বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জনায়। তেখেতৰ মৃত্যুত অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ সাধাৰণ সম্পাদক দ্বিজেন্দ্ৰ মোহন শৰ্মাৰ লগতে কামৰূপ মহানগৰ জিলা সন্মিলনৰ সম্পাদক কমল চন্দ্ৰ লহকৰ, শোণিতপুৰৰ পৰা প্ৰণৱ বৰা, নাজিৰাৰ পৰা প্ৰতুল শৰ্মা, বঙাইগাঁৱৰ পৰা আদিত্য নাথ, অভয়েশ্বৰ শৰ্মা, হোজাইৰ পৰা ননীগোপাল শৰ্মা, বৰাকভেলীৰ পৰা দেৱাশীষ চৌধুৰী, গোলাঘাটৰ পৰা ৰমেশ চন্দ্ৰ গোস্বামী, তিনিচুকীয়াৰ পৰা বিনয় বৰা প্ৰমুখ্যে জিলা সন্মিলনৰ সভাপতি, সম্পাদক সকলে শোকবাৰ্তা প্ৰেৰণ কৰি বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰে। মৃত্যুৰ সময়ত তেখেতে শয্যাগত পত্নী, দুগৰাকী পুত্ৰ-বোৱাৰী, দুগৰাকী জী-জোঁৱাই, নাতি-নাতিনী সহ পৰিয়াল স্বজন আৰু অনেক গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়।

# হোজাই জিলা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ জিলা সমাৰোহ লংকাত

**মুকুল গোস্বামী, লংকা ঃ** হোজাই জিলাৰ লংকাত স্থিত পাব্লিক হায়াৰ চেকেণ্ডেৰী (বিজ্ঞান শাখা) স্কুলত ২০ নৱেম্বৰ, ২০২৫ তাৰিখে অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ সৌজন্যত তথা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ হোজাই জিলা সমিতিৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বৈজ্ঞানিক মানসিকতাৰ সৃষ্টি তথা ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্য আগত ৰাখি দিনযোৰা কাৰ্যসূচীৰে জিলা পৰ্যায়ৰ এখনি বিজ্ঞান ভিত্তিক সমাৰোহ আৰু প্ৰতিযোগিতা অনুষ্ঠিত হয়। সমাৰোহখনৰ প্ৰথম কাৰ্যসূচী হিচাপে পতাকা উত্তোলন কৰে পাব্লিক হায়াৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ শ্ৰীবিমল পণ্ডিত দেৱে। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ হোজাই জিলাৰ সমন্বয়ক তাৰা শংকৰ দত্ত দেৱে আঁত ধৰা উক্ত অনুষ্ঠানটি বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে শিক্ষক অভিজিৎ দাস, ড° প্ৰদীপ কুমাৰ চাহু, বিমল পণ্ডিত আৰু যোগীযান হায়াৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ ৰাজ কুমাৰ দীক্ষিত দেৱে উপস্থিত থাকে। বন্তি প্ৰজ্বলনৰ পাছতেই আৰ্যভট্ট আৰু জুবিন গাৰ্গ দেৱৰ শ্ৰদ্ধাঞ্জলি জনাই মায়াবিনী গীতেৰে সভাৰ আৰম্ভ হয়। পাব্লিক হায়াৰ ছেকেণ্ডাৰী (বিজ্ঞান শাখা) অধ্যক্ষ বিমল পণ্ডিত দেৱে সভাপতিত্ব কৰা উক্ত সভাৰ উদ্দেশ্য ব্যাখ্যা হিচাপে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ হোজাই জিলাৰ সমন্বয়ক তাৰা শঙ্কৰ দত্ত দেৱে জিলা বৈঠক আৰু প্ৰতিযোগিতাৰ উদ্দেশ্যৰ বিষয়ে চমুকৈ বৰ্ণনা কৰি আদৰণি ভাষণ প্ৰদান কৰে। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ৰাজ কুমাৰ দীক্ষিত আৰু অভিজিৎ দাসৰ লগতে বহু কেইজন গণ্যমান্য ব্যক্তিয়ে ভাষণ প্ৰদান কৰে। তেওঁলোকে বিজ্ঞানৰ বিকাশেই দেশৰ ভৱিষ্যত বুলি আখ্যা দিয়ে। এই বিজ্ঞান সমাৰোহৰ লগত সংগতি ৰাখি ব্লক পৰ্যায়ত নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান ভিত্তিক আকস্মিক বক্তৃতা, পোষ্টাৰ অংকন, বিজ্ঞানৰ মডেল প্ৰস্তুতকৰণ, বিজ্ঞান ভিত্তিক ধাৰণা প্ৰস্তুত আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। সমাৰোহখনিৰ অন্তত ঘোষিত ফলাফল অনুসৰি আকস্মিক বক্তৃতা প্ৰতিযোগিতাত প্ৰথম স্থান কীৰ্তি শৰ্মা (শংকৰদেৱ বিদ্যা নিকেতন, ধলপুখুৰী), দ্বিতীয় স্থান অংচ কটোৱাল (ডনবস্কো স্কুল, হোজাই) আৰু তৃতীয় স্থান লাভ কৰে মৌবন খাউণ্ড পৰাশৰ (যোগীযান হায়াৰ চেকেণ্ডেৰী স্কুল)। আনহাতে পোষ্টাৰ অংকন প্ৰতিযোগিতাত প্ৰথম বিশ্বজিৎ দাস (বাড়্ছ ইংলিছ স্কুল) দ্বিতীয় ৰীমা নাথ (দেশবন্ধু বিদ্যাপীঠ হায়াৰ ছেকেণ্ডাৰী স্কুল) আৰু তৃতীয় স্থান লাভ কৰে অৰ্নিমা প্ৰধান (বি. এল. বি. এচ. ডি.ভি.হিন্দী হাইস্কুল)। তদুপৰি বিজ্ঞানৰ মডেল প্ৰস্তুতকৰণ প্ৰতিযোগিতাত প্ৰথম প্ৰাচী দে' আৰু সোণহাৰা ইছমিন হাজৰিকা (হ'লীচাইল্ড ইংলিছ স্কুল) মাৰুফ আলি আৰু আশ্ৰাফুল আলাম (পি. এম. শ্ৰী. উদালি এম্ভি. স্কুল) আৰু তৃতীয় স্থান লাভ কৰে স্নেহা কাংশা বনিক আৰু ফুলি চাহা (দেশবন্ধু বিদ্যাপীঠ গাৰ্লছ হাইস্কুল)। বিজ্ঞান ভিত্তিক ধাৰণা প্ৰস্তুত প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে আদ্ৰিজা মজুমদাৰ (পি.এম.শ্ৰী দেশবন্ধু বিদ্যাপীঠ হায়াৰ ছেকেণ্ডাৰী স্কুল), দ্বিতীয় স্থান লাভ কৰে যুটীয়াভাৱে মিলি পুৰকায়স্থ আৰু পুনম মজুমদাৰ (মডাৰ্ণ গুৰুকুল স্কুল) আৰু তৃতীয় স্থান লাভ কৰে মাৰিয়া ৰাহত (ডনবস্কো হাইস্কুল) আৰু ফুলি ছাহা (দেশবন্ধু বিদ্যাপীঠ গাৰ্লছ হাইস্কুল)। প্ৰতিযোগিতাৰ অন্তত ৰাজ্যিক পৰ্যায়লৈ নিৰ্বাচিত প্ৰতিযোগীসকলক পুৰস্কাৰ বিতৰণ কৰা হয়। সামৰণি অনুষ্ঠানত ড° প্ৰদীপ কুমাৰ চাহু, দীপাংকৰ বৰকটকী আৰু লামডিং ব্লক সমন্বয়ক সুদীপ দেৱ ৰয়, যোগীজান ব্লক সমন্বয়ক ৰহুল চৌহান আৰু উদালি ব্লক সমন্বয়ক আফ্‌টাবুদ্দিন লস্কৰে বিজ্ঞানৰ বিভিন্ন দিশ আৰু সমাজত প্ৰচলিত অন্ধবিশ্বাসৰ ওপৰত ভাষণ প্ৰদান কৰে। শেষত তাৰা শঙ্কৰ দত্ত দেৱে শলাগৰ শৰাই আগবঢ়ায় আৰু অনুষ্ঠানটি সুচাৰুৰূপে ৰূপায়ণ কৰাত সহায় কৰা সকলো ব্যক্তিকে কৃতজ্ঞতা জ্ঞাপন কৰে। অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ সৌজন্যত তথা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত হোৱা অনুষ্ঠান শিক্ষা বিভাগৰ নৱম, দশম শ্ৰেণীৰ পৰীক্ষা আগমুহূৰ্তত অনুষ্ঠিত কৰাক লৈ বহোঁতে আচাৰ্য প্ৰকাশ কৰে আৰু ইয়াৰ ফলত আশানুৰূপ ফলাফল লাভ কৰা অসম্ভৱ হৈ পৰা দেখা যায়। বহু ছাত্ৰ-ছাত্ৰীয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰা পৰা বঞ্চিত হ'ব লগা হয়। শিক্ষা বিভাগৰ লগতে বিজ্ঞান প্ৰযুক্তিবিদ্যা বিভাগৰ সহমতত সময়ত কাৰ্যসূচী বা পৰিক্ষা সমূহ অনুষ্ঠিত কৰিলে শৈক্ষিক ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ সামূহিক বিকাশৰ ক্ষেত্ৰত সুফল পোৱা নিশ্চিত হ'ব বুলি বহুকেইজন বিশিষ্ট শিক্ষাবিদে মত পোষণ কৰিছে।

# তেজপুৰৰ বৰপুখুৰীৰ পাৰত জাকে জাকে কাউৰীৰ মৃত্যু

## বিষাক্ত দ্ৰব্য সেৱনৰ ফলতেই মৃত্যু বুলি সন্দেহ প্ৰকাশ প্ৰকৃতিপ্ৰেমী সৌৰভ বৰকটকীৰ



**চন্দন শৰ্মা, তেজপুৰ ঃ** শোণিতপুৰ জিলাৰ তেজপুৰ চহৰৰ প্ৰৱেশ পথৰ লগতে থকা বৰপুখুৰীক চাৰিওফালে পৰ্যটকৰ আকৰ্ষণৰ বাবে সৌন্দৰ্যবৰ্ধনৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে উদ্যান নিৰ্মাণৰ প্ৰচেষ্টা অব্যাহত ৰখাৰ মাজতে ২১ নৱেম্বৰ পুৱা ক্ৰমশঃ লুপ্ত হ'বলৈ ধৰা ৰৰ টাকৈ ধোৱা কাউৰী বৰপুখুৰীৰ পাৰত মৃত্যুমুখত পৰি থকাৰ দৃশ্য প্ৰকৃতিপ্ৰেমী সংগঠনৰ একাংশ লোকে প্ৰত্যক্ষ কৰাৰ পিছত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কোনো দুষ্ট চক্ৰই পুখুৰীৰ পাৰত বিষাক্ত দ্ৰব্য পেলোৱাৰ ফলতেই সেই দ্ৰব্য খোৱাৰ বাবেই ১১ টাকৈ কাউৰী মৃত্যুমুখত পৰাৰ সন্দেহ ব্যক্ত কৰিছে প্ৰকৃতিপ্ৰেমী সংগঠনৰ সদস্যসকলে। যদি কোনো ৰোগত মৃত্যু হ'ল হয় তেতিয়া একে ঠাইতে এনেদৰে ১১ টাকৈ কাউৰী মৃত্যুমুখত নপৰে বুলিও সন্দেহ প্ৰকাশ কৰি প্ৰকৃতিপ্ৰেমী তথা বন্যপ্ৰাণী প্ৰেমী সৌৰভ বৰকটকীয়ে পৰিৱেশ সুৰক্ষাৰ দিশটোৰ ক্ষেত্ৰত এতিয়াও যথেষ্ট সজাগতাৰ প্ৰয়োজন আছে বুলি কয়।

# আলাবৈ ৰণস্মৃতি সুৰক্ষা সমিতিৰ উদ্যোগত মহাবীৰ লাচিত বৰফুকনৰ জন্মদিন উদ্‌যাপন

## মোগলক পৰাস্ত কৰি অসমীয়া জাতিক সুৰক্ষিত কৰা ভাৰতৰ সৰ্বশ্ৰেষ্ঠ বীৰ লাচিত বৰফুকন ঃ প্ৰকাশ চন্দ্ৰ দাস



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** পছৰীয়া আলাবৈ ৰণস্মৃতি সুৰক্ষা সমিতিৰ উদ্যোগত মহাবীৰ লাচিত বৰফুকনৰ ৪০৩ সংখ্যক জন্মদিন উদ্‌যাপন কৰে। পছৰীয়াৰ আলাবৈ পাহাৰৰ পাদদেশত অনুষ্ঠিত লাচিত দিবসৰ পতাকা উত্তোলন কৰে সুৰক্ষা সমিতিৰ সভাপতি প্ৰদীপ নাৰায়ণ ভট্টই। লাচিত বৰফুকনৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰি অনুষ্ঠান মুকলি কৰে বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক প্ৰকাশ চন্দ্ৰ দাসে। ভাষণ প্ৰসংগত তেওঁ কয় মোগলক পৰাস্ত কৰি অসমীয়া জাতিক সুৰক্ষিত কৰা ভাৰতৰ সৰ্বশ্ৰেষ্ঠ বীৰ লাচিত বৰফুকন। যিটো সময়ত ভাৰতৰ আন আন ৰজা মহাৰজাসকলে মোগলৰ ওচৰত সেও মানি দাসত্ব স্বীকাৰ কৰিছিল। সেই সময়ত লাচিত বৰফুকনে মোগলক পৰাস্ত কৰি খেদি পঠিয়াই সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ বীৰৰ পৰিচয় দাঙি ধৰিছিল বুলি কয়। লাচিতৰ ৰণ সজ্জা ৰণ কৌশল আৰু জাতীয় সত্বাক বিস্তাৰিত ভাবে ব্যাখ্যা কৰে। বৰ্তমানৰ সময়ত লাচিত বৰফুকনৰ আদৰ্শগত বৈশিষ্ট প্ৰতিজন মানুহৰ মনত উদ্ভাষিত নহ'লে অসমীয়া বুলি গৌৰৱ কৰিবলৈ একোৱেই নাথাকিব বুলি কয়। সুৰক্ষা সমিতিৰ সম্পাদক ড° ৰিদিপ জ্যোতি দাসৰ তত্বাৱধানত আৰু ২নং পূৱ বংশৰ সমন্বয় সমিতিৰ সভাপতি দিবাকৰ কলিতাই আঁতধৰা অনুষ্ঠানত পছৰীয়া জ্যেষ্ঠ নাগৰিক সমাজৰ সম্পাদক চন্দ্ৰধৰ কলিতা পছৰীয়া ৰামসৰস্বতী পুথিভঁৰাল পৰিচালনা সমিতিৰ সম্পাদক প্ৰদীপ শৰ্মা, পছৰীয়াৰ জ্যেষ্ঠ নাগৰিক সমাজৰ সভাপতি কেশৱ কলিতা, পছৰীয়া কলা কেন্দ্ৰৰ সভাপতি হৰিচৰণ কলিতা, গোবিন্দ কলিতা, ডিম্বেশ্বৰ ডেকা আৰু জ্যেষ্ঠ সাংবাদিক হৰিপ্ৰসাদ দাসে সভাত লাচিত বৰফুকনৰ জাতীয় প্ৰেম জাতিৰ প্ৰতি থকা দায়িত্ববোধ আৰু কৰ্তব্যপৰায়ণতা ওপৰত তত্ত্বগধুৰ বক্তব্যৰ আলোকপাত কৰে।

# শিৱসাগৰ অসামৰিক চিকিৎসালয়ত ৰাষ্ট্ৰীয় নৱজাতক সপ্তাহ আৰু নিউমোনিয়া নিৰ্মূল অভিযানৰ শুভাৰম্ভণি




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ অসামৰিক চিকিৎসালয়ত যোৱা ২০ নৱেম্বৰ, শুকুৰবাৰে ৰাষ্ট্ৰীয় নৱজাতক সপ্তাহ আৰু নিউমোনিয়া নিৰ্মূল অভিযান কাৰ্যসূচীৰ শুভাৰম্ভণি কৰা হয়। জ্যেষ্ঠ চিকিৎসক তথা শিশুৰোগ বিশেষজ্ঞ ডাঃ সুকল্যাণ দাস দেৱে নৱজাতকৰ চিকিৎসালয়ত ল'বলগীয়া যতন আৰু ঘৰুৱা যতন সম্পৰ্কে বিস্তৃতভাৱে বৰ্ণনা কৰাৰ লগতে নিউমোনিয়া ৰোগৰ লক্ষণ আৰু ইয়াৰ বিভিন্ন প্ৰতিকাৰৰ বিষয়ে গুৰুত্বপূৰ্ণ ব্যক্তব্য আগবঢ়ায়। উল্লেখ্য যে, জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ বিশেষ নৱজাতক যত্ন একক (Special Newborn Care Unit)ৰ বহিৰাগত ৰোগী বিভাগত অনুষ্ঠিত হোৱা অনুষ্ঠানত শিশুৰোগ বিশেষজ্ঞ ডাঃ সুকল্যাণ দাস দেৱে অৱগত কৰে যে, নিউমোনিয়া শিশু আৰু নৱজাতকৰ বাবে এক ভয়ংকৰ কিন্তু প্ৰতিহত কৰিব পৰা ৰোগ। পিতৃ-মাতৃয়ে শিশুৰ কাহ, জ্বৰ, দ্ৰুত শ্বাস লোৱাৰ দৰে লক্ষণবোৰ দেখিলে তাৎক্ষণিকভাৱে চিকিৎসকৰ কাষ চাপিব লাগে। নৱজাতকক জন্মৰ পৰাই পৰিচ্ছন্নতা, উষ্ণতা আৰু যথাযথ স্তনপান দিয়া অত্যন্ত প্ৰয়োজনীয়। শিশুক সময়মতে সকলো টীকা দিয়াও নিউমোনিয়া ৰোধৰ অন্যতম সৰ্বোত্তম উপায়। আনহাতে নৱজাতক সপ্তাহত স্বাস্থ্যকৰ্মীসকলে মাতৃ-শিশু সুৰক্ষাৰ বিষয়ে বিশেষ পৰামৰ্শ প্ৰদান কৰে। পিতৃ-মাতৃয়ে শিশুক ধূমপানৰ ধোঁৱা আৰু ধূলিধূসৰিত পৰিৱেশৰ পৰা আঁতৰাই ৰাখিব লাগে। জন্মৰ পিছৰ প্ৰথম ২৮ দিন নৱজাতকৰ বাবে অত্যন্ত সংকটজনক সময়, সেইসময়ত সকলো পৰিৱৰ্তন মন কৰি চাব লাগিব। কোনো শিশুৰ নিউমোনিয়াৰ লক্ষণে দেখা দিলে সমাজৰ মানুহেও পিতৃ-মাতৃক স্বাস্থ্য কেন্দ্ৰলৈ লৈ যাবলৈ উৎসাহিত কৰিব লাগিব। একেলগে পিতৃ-মাতৃ, স্বাস্থ্যকৰ্মী আৰু সমাজ সচেতন হ'লে নিউমোনিয়া ৰোধ আৰু নৱজাতকৰ জীৱন ৰক্ষা দুয়োটাই সম্ভৱ। লগতে সমাজে নৱজাতক আৰু শিশু স্বাস্থ্য সম্পৰ্কে সচেতনতা বৃদ্ধি কৰিব লাগিব বুলি জিলা গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকনে জানিবলৈ দিয়ে।

অসম চৰকাৰ

# শ্ৰদ্ধাঞ্জলি আঁচনি

**বহিঃৰাজ্যত মৃত্যু হোৱা অসমৰ ব্যক্তিৰ নশ্বৰ দেহ মৰ্যাদা সহকাৰে স্বগৃহলৈ অনাৰ পদক্ষেপ**

আঁচনিখনৰ সবিশেষ
সেৱা সেতু
প' ৰ্টেলত উপলব্ধ



## বৈশিষ্ট্যসমূহ

- বহিঃৰাজ্যত বিশেষ পৰিস্থিতিত মৃত্যু হোৱা অসমৰ স্থায়ী বাসিন্দাৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য হ'ব
- আৰ্থিকভাৱে সবল শ্ৰেণী বা নিজাববীয়াকৈ ব্যৱস্থা কৰিব পৰা লোকৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য নহ'ব
- চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ যোৱা ৰোগীসকলক এই আঁচনিত সামৰি লোৱা নহ'ব
- আঁচনিখন ৰূপায়ণত গৃহ আৰু ৰাজনৈতিক বিভাগৰ তত্ত্বাৱধানত অসম আৰক্ষীয়ে সমন্বয় ৰক্ষা কৰিব

## আৰক্ষীৰ সৈতে যোগাযোগ কৰিবলৈ-

- ৯১৮১০-১৪৮৮৮
- ১১২
- ০৩৬১-২৩৮১৫১১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 3205/25/28-November-25

# দেশী-বিদেশী পৰ্যটকৰ বাবে আকৰ্ষণস্থলী হিচাপে পৰিচিত তিনিচুকীয়াৰ মাগুৰী বিল

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰো ছ'চিয়েল মিডিয়াযোগে বিশেষ পোষ্ট



**চন্দন শৰ্মা, তেজপুৰ ঃ** মাগুৰী মতাপুং বিল বা মাগুৰী বিল অসমৰ তিনিচুকীয়া জিলাত অৱস্থিত এখন বিল তথা আদ্ৰভূমি। ই ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ নিচেই কাষত অৱস্থিত। এই বিলখন বিভিন্ন প্ৰজাতিৰ বন্যপ্ৰাণীৰ প্ৰাকৃতিক আৱাসস্থলী আৰু স্থানীয় সম্প্ৰদায়সমূহৰ জীৱিকাৰ উৎস। মাগুৰী মতাপুং বিলক বোম্বে প্ৰাকৃতিক ইতিহাস ছ'চাইটিয়ে গুৰুত্বপূৰ্ণ পক্ষী এলেকা হিচাপে চিহ্নিত কৰিছে। অসমৰ মূখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ছ'চিয়েল মিডিয়াযোগে মাগুৰী বিলৰ মনোমোহা পৰিৱেশৰে বিৰাজমান হোৱা এটি সুন্দৰ ভিডিঅ' আপলোড কৰি পৰ্যটকসকলক এক সুন্দৰ বাৰ্তা আগবঢ়ায়। বহু দেশী-বিদেশী পৰ্যটকৰ বাবে এক আকৰ্ষণস্থলী হিচাপে পৰিচিত মাগুৰী বিলত যথেষ্ট সংখ্যক স্থানীয় আৰু পৰিভ্ৰমী পক্ষী দেখিবলৈ পোৱা যায়। উক্ত বিলখনত ২৮৫ বিধৰো অধিক প্ৰজাতিৰ দেশী-বিদেশী পক্ষীৰ বিচৰণস্থলী হিচাপে জনাজাত। বৰ্ষটোৰ অক্টোবৰৰ পৰা মাৰ্চ মাহলৈ ভিন্ন প্ৰজাতিৰ পৰিভ্ৰমী পক্ষীবোৰৰ ইয়ালৈ আগমণ ঘটা দেখা যায়। ইয়াৰে আঠটা আই ইউ চি এন ৰঙা তালিকাৰ বিপদাপন্ন প্ৰজাতিৰ চৰাই যেনে কাকলি হাঁহ আৰু দেওহাঁহ। বিলখনত বিভিন্ন প্ৰজাতিৰ আলংকৰিক মাছৰ লগতে প্ৰায় ছয়টা প্ৰজাতিৰ কাছ, কেইবাপ্ৰকাৰৰ সাপ, অন্য সৰীসৃপ, শিহু, উভচৰ প্ৰাণী, কীট-পতংগ আদি দেখিবলৈ পোৱা যায়। ইয়াৰোপৰি বিলখনৰ জলভাগত পানীমেটেকা, ভেট, পদুম, সৰুপুনি, বৰপুনি, আজানা আদি আৰু দাঁতি-কাষৰীয়া অঞ্চলবোৰত বিভিন্ন ধৰণৰ ঘাঁহ-বন, নল-খাগৰি, বৰতাৰ, ইকৰা ইত্যাদি জলজ উদ্ভিদো দেখা যায়। বিলখনৰ নামক লৈ কেইবাটাও মতবাদ প্ৰচলিত হৈ আছে। কিছুমানৰ মতে এসময়ত বিলখনত এটা নিমখৰ পুং আছিল। পুংটোৰ পৰা নিগৰিত হোৱা লুণীয়া পানীয়ে বিলখনৰ উদ্ভিদ আৰু প্ৰাণীকুলৰ বিস্তৰ ক্ষতিসাধন কৰিছিল বাবে স্থানীয় ৰাইজে মিলি পুঙটো বন্ধ কৰিবৰ বাবে পূজা-আৰ্চনা কৰি এটা মতা ম'হ বলি দিছিল। এই মতা ম'হৰ 'মতা' আৰু নিমখ পুঙৰ 'পুং' শব্দ দুটা লৈ মতাপুং নামটোৰ উৎপত্তি হৈছে বুলি কোৱা হয়। আন এক মত অনুসৰি এই বিলখনৰ গাত এখন বহল পথাৰ লাগি আছিল। এই পথাৰখনত আছিল অসংখ্য মাদুৰী বন আছিল। স্থানীয় ৰাইজে সেয়েহে এই পথাৰখনক বুলিছিল মাদুৰী পথাৰ। পিছে নৈপৰীয়া হোৱা বাবে প্ৰতি বছৰ বাৰিষাৰ বানে পথাৰখন বুৰাই পেলাইছিল। লাহে লাহে পথাৰখনত খেতি কৰিব নোৱাৰা হ'ল। যাৰ বাবে স্থানীয় ৰাইজে পথাৰখনক মাদুৰী পথাৰৰ সলনি মাদুৰী বিল হিচাপে নামাকৰণ কৰিলে। কালক্ৰমত এই মাদুৰী বিলেই মাগুৰী বিল হিচাপে পৰিচিত হ'ল। কিছুমানৰ মতে আকৌ মাগুৰ মাছ বেছিকৈ পোৱা বাবে বিলখনৰ নাম মাগুৰী হোৱা বুলি ক'ব খোজে। মাগুৰী মতাপুং বিল তিনিচুকীয়া চহৰৰ পৰা প্ৰায় ন কিলোমিটাৰ দূৰত আৰু ডিব্ৰুগড় বিমানবন্দৰৰ পৰা পঞ্চাচ কিলোমিটাৰ দূৰত অৱস্থিত। এই বিলখন গুইজান ফেৰী ঘাটৰ পৰা ৩.৮ কিঃমিঃ দূৰত অৱস্থিত। বিলখন ডিব্ৰু নদীৰ দক্ষিণ পাৰত অৱস্থিত। ই ডিব্ৰু নদীক এটা সৰু খালৰ মাজেৰে সংযোগ কৰে আৰু শেষত ব্ৰহ্মপুত্ৰ নৈত পৰে। পৰ্যটকসকলৰ পক্ষী নিৰীক্ষণৰ সুবিধাৰ্থে বিলখনৰ ওচৰে পাজৰে কেইবাটাও পৰ্যটন কূটীৰ গঢ় লৈ উঠিছে। ইয়াৰে কেইটামান হৈছে- কঁহুৱা ইক'-কেম্প, বনজুৰী কেম্প, মাগুৰী বাৰ্ডিং কেম্প, বনশ্ৰী ইক'-কেম্প, ৰেভ ইক'-টুৰিজম, গ্ৰীণ-বাড টুৰিষ্ট ল'জ আদি। এই কূটীৰসমূহে পৰ্যটকসকলক খাদ্য, নিৱাস, যাতায়ত পৰিবহণ আদিয়ো উপলব্ধ কৰায়।

# নগাঁৱত সংস্কৃতি নামেৰে চিকিৎসা কেন্দ্ৰ মুকলি



**বিশেষ সংবাদদাতা, নগাঁও ঃ** শিক্ষা আৰু চিকিৎসাৰ ক্ষেত্ৰত অসমৰ ভিতৰত নগাঁও জিলাই আগস্থান লাভ কৰিবলৈ সক্ষম হৈছে। তাৰে উদাহৰণস্বৰূপে নগাঁৱৰ পানীগাওঁ ছয়আলিত মুকলি কৰা হ'ল সংস্কৃতি নামেৰে অত্যাধুনিক সুবিধাসম্পন্ন এখন চিকিৎসা কেন্দ্ৰ প্ৰতিষ্ঠান। জানিব পৰা মতে বিশিষ্ট চিকিৎসক তথা মেডিচিন বিশেষজ্ঞ ডাঃ শৰৎ কেওটৰ নিজ বাসগৃহতেই আনুষ্ঠানিকভাৱে মুকলি কৰা হয় চিকিৎসা কেন্দ্ৰটি। বিশিষ্ট কবি তথা চিকিৎসক ডাঃ প্ৰয়াগ শইকীয়াই চিকিৎসা কেন্দ্ৰ খনৰ শুভ উদ্বোধন কৰি কয়- মই সকলো স্বাস্থ্যকেন্দ্ৰ বা স্বাস্থ্য ক্ষেত্ৰকেই সূৰ্য্য ক্ষেত্ৰ বুলি ভাৱো। কাৰণ সূৰ্য্যই যিদৰে পৃথিৱীত পোহৰ বিলাই ঠিক সেইদৰে স্বাস্থ্যকেন্দ্ৰসমূহতো বহু লোক আহি ৰোগ নিৰাময় কৰি দীৰ্ঘায়ু হৈ থাকিব পাৰে বুলি কৈ নগাঁওবাসী ৰাইজলৈ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰে। উল্লেখ্য যে স্বাস্থ্য কেন্দ্ৰটিক বহু কেইটা গুৰুত্বপূৰ্ণ ৰোগৰ চিকিৎসা অভিজ্ঞতা সম্পন্ন চিকিৎসকৰ দ্বাৰা চিকিৎসা সেৱা আগবঢ়োৱা হ'ব। চিকিৎসা প্ৰতিষ্ঠানখনৰ মুকলি অনুষ্ঠানত নগাঁৱৰ বহু সংখ্যক গণ্যমান্য ব্যক্তিসকলৰ লগতে স্থানীয় লোক সকলো উপস্থিত থাকে।

# শিমলুগুৰিত লাচিত দিৱস উদ্‌যাপন

## সঙ্গীত মহাবিদ্যালয়ৰ গৃহ নিৰ্মাণৰ বাবে ৫ লাখ টকা আৱন্টন



**বিশেষ সংবাদদাতা, শিমলুগুৰি ঃ** মোমাই তামুলী বৰবৰুৱাৰ বীৰ সন্তান লাচিত বৰফুকনৰ ৪০৩ সংখ্যক জন্মজয়ন্তী লখিমপুৰ জিলাৰ অন্যান্য অঞ্চলৰ লগতে পশ্চিম প্ৰান্তৰ শিমলুগুৰিত যোৱা ২৪ নৱেম্বৰত উলহ মালহেৰে পালন কৰা হয়। স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ ৰণোদ্যম চেতনাত 'আত্ম-মৰ্যদা ঘূৰাই অনাৰ প্ৰয়োজনত ১৬৭১ চনৰ শৰাইঘাটৰ যুদ্ধৰ প্ৰধান সেনাপতি লাচিত বৰফুকনৰ ৰণকৌশল আৰু বুদ্ধিমত্তাৰে গৌৰান্বিত মোগলৰ বিৰুদ্ধে অসমীয়াৰ জয় আছিল প্ৰসিদ্ধ ইতিহাস। এই বীৰত্বৰ স্মৃতিৰে আয়োজন কৰা শিমলুগুৰিৰ উক্ত অনুষ্ঠানৰ মাংগলিক কাৰ্যত অংশগ্ৰহণ কৰে শিমলুগুৰি পঞ্চায়তৰ সভাপতি পুৰন্দৰ বৰুৱাই, বিহপুৰীয়া বিধানসভা সমষ্টিৰ বিধায়ক ড° অমিয় কুমাৰ ভূঞাৰ পৃষ্ঠপোষকতাত আৰু লাচিত ক্ষেত্ৰ, পৰিচালনা সমিতিৰ উদ্যোগত আয়োজন কৰা এই-দিৱস উপলক্ষ্যে বিভিন্ন জনগোষ্ঠী সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা পৰিলক্ষিত হয়। অন্যহাতে ড° ভূপেন হাজৰিকা সঙ্গীত মহাবিদ্যালয়ৰ গৃহ নিৰ্মাণৰ বাবে ধলপুৰ শিমলুগুৰি জিলা পৰিষদৰ পৰা আৱন্টিত ৫ লাখ টকাৰ আধাৰশিলা স্থাপন কৰে বিধায়ক ড° অমিয় কুমাৰ ভূঞাই আৰু উপস্থিত থাকে, পৰিচালনা সমিতিৰ সভাপতি ৰুদ্ৰ গগৈ, বীৰেণ মুদৈ আদি। অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ইন্দিৰা গগৈ ফুকনে বক্তৃতা প্ৰদান কৰা-আৰু সমষ্টিৰ বিভিন্ন পঞ্চায়তৰ জনপ্ৰতিনিধিসকল উপস্থিত থকা সভাত প্ৰাক্তন কাউন্সিলৰ ফুলেশ্বৰ বৰুৱাই সভাপতিত্ব কৰে। প্ৰণিধানযোগ্য যে, কবি-শিক্ষক বিতোপন গগৈয়ে প্ৰস্তুত কৰা আৰু সমাজসেবক নিতুমণি বৰুৱাই 'প্ৰেৰণা দিয়া 'মই লাচিতে কৈছো' শীৰ্ষক সঙ্গীতালেক্ষ্য পৰিৱেশন কৰে শিল্পী নিতুল বৰুৱা, যোগেশ্বৰ কোঁৱৰ, মোলান সন্দিকৈ, উমেশ গগৈ, সোনমণি হাতীবৰুৱা, গুণমনি গগৈ গোঁহাই, দীপাঞ্জল গগৈ, দুৰ্লভ দিহিঙীয়াই। জিলা পৰিষদৰ সদস্য মানৱ দাস, পশ্চিম মণ্ডলৰ সভাপতি পাৰ্থপ্ৰতীম ফুকন, ৰাজগড় পঞ্চায়তৰ সভাপতি পাৰ্থপ্ৰতীম দত্ত, অন্যান্য কৰ্মকৰ্তা ৰূপম দুৱৰা, কিৰন বসুমতাৰী, আৰাধনা দাস, পৰশপ্ৰতীম গগৈৰ লগতে সহযোগিতা আগবঢ়োৱা সকলো সদস্য-সদস্যাকে পৰিচালনা সমিতিৰ সভাপতি যুতি বুঢ়াগোঁহাই আৰু সম্পাদক বিতোপন ফুকনে শলাগ জ্ঞাপন কৰে। উল্লেখ্য যে প্ৰথমদিনা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয় আৰু অন্তিম কাৰ্যসূচীত ৪০৩ গচি বন্তি প্ৰজ্বলন কৰে।

# ডিব্ৰুগড়ত জিলা প্ৰশাসন, নাগৰিক মঞ্চৰ সহযোগত মহাবীৰ লাচিত দিৱস উদ্‌যাপন




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰ, আহোম সভা, ডিব্ৰুগড় সদৰ আৰু ডিব্ৰুগড় নাগৰিক মঞ্চৰ উদ্যোগত তথা ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত স্থানীয় জয়মতী উদ্যানত মহাবীৰ লাচিত বৰফুকনৰ ৪০৩ সংখ্যক জন্মজয়ন্তী উদ্‌যাপন কৰা হয়। এই উদ্দেশ্যে তাই কেন্দ্ৰত পুৱা পতাকা উত্তোলন কাৰ্যসূচী সম্পন্ন কৰি জয়মতী উদ্যানত থকা লাচিতৰ বিশালাকাৰ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে নাগৰিক মঞ্চৰ সভাপতি ড° ভাৰতী দত্তই। মাল্যাৰ্পণ, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আদিত অংশগ্ৰহণ কৰে তাই কেন্দ্ৰৰ সভাপতি হেমকান্ত দিহিঙীয়া আৰু আহোম সভাৰ কেন্দ্ৰীয় সভাপতি শশাংক নেওগে। উপস্থিত বিশিষ্ট ব্যক্তিসকলে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশ গ্ৰহণ কৰে। মুকলি সভাত সভাপতিত্ব কৰে ড° ভাৰতী দত্তই। সভাৰ আঁতধৰে নৱ গগৈয়ে। সভাত শশাংক নেওগ, বয়োজ্যেষ্ঠ বিশিষ্ট ব্যক্তি হৰেশ সন্দিকৈ, হেমকান্ত দিহিঙীয়া, মহেন বুঢ়াগোহাঁই, পদ্মেশ্বৰ মহন, তৰুণ গগৈ, মৃদুল শৰ্মা,লোকেশ্বৰ বৰা, ড° কমলেশ্বৰ দত্ত প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট বক্তাই গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। মহাবীৰ লাচিত বৰফুকনৰ বীৰত্ব, ত্যাগ, কৰ্তব্যনিষ্ঠা আদিৰ স্বীকৃতি পৰ্যন্ত যথাৰ্থৰূপত হোৱা নাই বুলি সকলোৱে একমত পোষণ কৰে। লাচিত দিৱসটি সকলোৱে মিলি যেনেদৰে উলহ- মালহেৰে উদ্‌যাপন কৰিব লাগিছিল, তাৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰা হৈছে। সভাপতিৰ মন্তব্যত ড° ভাৰতী দত্তই বীৰ লাচিতে তাহানিতে সৈন্যবাহিনীক সংগঠিত কৰা আৰু পৰাক্ৰমী মোগলক শৰাইঘাটৰ ৰণত হৰুৱাৰ বাবে নৌযুদ্ধৰ কৌশল অৱলম্বন কৰিছিল সিয়ে তেওঁৰ অসীম দূৰদৰ্শীতাৰ পৰিচয় দিছিল। দেশপ্ৰেমিক, মহাবীৰ গৰাকীৰ জন্মদিনটিত বন্ধ নিদি বিদ্যালয়, মহাবিদ্যালয় আদিত জন্মদিন উদ্‌যাপন কৰা, তেওঁৰ নামত সীমা সুৰক্ষা বাহিনীৰ নাম ৰখা, জাতি, ধৰ্ম, বৰ্ণ, সম্প্ৰদায় নিৰ্বিশেষে সকলোৱে একেলগহৈ দেশপ্ৰেমিক, মহাবীৰগৰাকীৰ জন্ম জয়ন্তী উদ্‌যাপন কৰা আদি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। তেওঁৰ আদৰ্শ, কৰ্মৰাজিৰ প্ৰচাৰ, প্ৰসাৰ আৰু অধিক হ'ব লাগে বুলি একমত পোষণ কৰা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মঞ্চৰ সম্পাদক দুৰ্লভ গগৈয়ে। গন্ধেশ্বৰ চমুৱাৰ পৰিচালনাত তাই কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰীসকলে গীত-মাত পৰিৱেশন কৰে। এটি তাই ভাষাৰ গীত পৰিৱেশন কৰে কনচেং চাংমাই আৰু মনচেং চাংমাই। শলাগৰ শৰাই আগবঢ়ায় নৱ গগৈয়ে। জাতীয় সংগীত পৰিৱেশনেৰে সভা অন্ত পৰে।

# অসমৰ যশস্বী চলচ্চিত্ৰ, চিডি পৰিচালক মানস বৰুৱাৰ সৈতে এক অন্তৰংগ আলাপ



অসমীয়া চলচ্চিত্ৰ, চিডি আদি পৰিচালনা কৰা যশস্বী চলচ্চিত্ৰ পৰিচালক স্বৰ্গীয় মুনীন বৰুৱাৰ পুত্ৰ পৰিচালক শ্ৰী মানস বৰুৱাৰ সৈতে ম'বাইল ফোন যোগে হোৱা এক অন্তৰংগ আলাপৰ সম্পাদিত ৰূপ পাঠকৰ বাবে আগবঢ়োৱা হ'ল ঃ

**■ পৰিচালক হিচাপে আপুনি আত্মপ্ৰকাশ কেতিয়া কৰিছিল?**

**মানস বৰুৱা ঃ** স্বাধীনভাৱে মই প্ৰথম ছবিখন ২০০৯ চনত শ্বুট কৰিছিলোঁ কিন্তু মুক্তি পাইছিল ২০১২ চনত। সেই ছবিখন আছিল 'ৰিচাং'। ৰিচাং ছবিখনৰ নায়ক আছিল দিগন্ত হাজৰিকা।

**■ পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰাৰ ক্ষেত্ৰত আপোনাৰ পিতৃ-মাতৃৰ অৰিহণা নিশ্চয় যথেষ্ট আছে। আপোনাৰ পিতৃ-মাতৃৰ বিষয়ে অলপ কওঁকচোন?**

**মানস বৰুৱা ঃ** আপোনাৰ প্ৰশ্নটোৰ মই যদি চিধাকৈ উত্তৰ দিওঁ মই এতিয়াও সফল হোৱাই নাই। সফলতাটো Directly বা One On One অনুভৱ কৰিবলৈ এতিয়ালৈকে সেই পৰিস্থিতিটো Luck য়েই কওঁক বা সংযোগেই কওঁক কামৰ যিটো Output সেই সফলতাটো মই এতিয়ালৈকে পোৱা নাই। কাৰণ মোৰ প্ৰথম ছবিখন চলা নাছিল। প্ৰত্যেক পিতৃ-মাতৃয়ে ভাৱে যে নিজৰ সন্তান নিজ নিজ ক্ষেত্ৰত উজলি উঠক। মোৰ মা-দেউতাৰ অৱদান আছে। কিন্তু সফলতা অৰ্জন হোৱাই নাই (হাঁহি)। কাম কৰি আছোঁ, শিকি আছোঁ।

**■ সম্প্ৰতি নতুন প্ৰজন্মৰ কোনবোৰ কথাই আপোনাক চিন্তিত কৰে?**

**মানস বৰুৱা ঃ** মই যিহেতু চলচ্চিত্ৰৰ লগতে জড়িত। মই নিজকে কিন্তু নৱ প্ৰজন্ম বুলিয়েই ভাবো (হাঁহি)। কাৰণ মই বিশেষ কাম এতিয়াই কৰিব পৰা নাই, শিকিহে আছোঁ। নৱ প্ৰজন্মৰ যিসকলে Filam Maker হ'বলৈ আগবাঢ়ি আহিছে তেওঁলোকৰ চিন্তিত হ'বলগীয়া একো কথা নাই। ছবি এখনৰ কাহিনী লিখা বা চিত্ৰনাট্য লিখাত যথেষ্ট আৱেগ জড়িত হৈ থাকে। নৱ প্ৰজন্মৰ যিসকলে ফিল্ম Direction ৰ ক্ষেত্ৰত আগবাঢ়ি আহিছে যেনে মৃণাল ডেকা, ধনজিত দাস তেওঁলোকক এটা কথাই মই ক'ব খোজোঁ তেওঁলোকে যেতিয়া চিনেমা এখন ৰিলিজ কৰাৰ পিছত ছবিখনৰ মাৰ্কেটিংটো মানে অৰ্থনৈতিক দিশটো, ছবিখনৰ ক্ষেত্ৰত কি কৰিলে ভাল ছবিখনৰ ক্ষেত্ৰত কি কৰিলে ছবিখন ভালকৈ Exploid হ'ব, বেছি মানুহৰ ওচৰলৈ যাব সেই কথাখিনি তেওঁলোকে অলপ Practically Study কৰিব লাগে বুলি মই ভাবো। যিটো বৰ্তমান মইও কৰি আছোঁ। ছবি পৰিচালনাৰ ক্ষেত্ৰত নতুন প্ৰজন্মৰ পৰিচালকসকলে এটা নতুনত্ব আনিছে।

**■ পৰিচালনাৰ ক্ষেত্ৰত আপুনি কোনোধৰণৰ প্ৰশিক্ষণ লৈছিল নেকি?**

**মানস বৰুৱা ঃ** পৰিচালনাৰ ক্ষেত্ৰত মই কোনোধৰণৰ প্ৰশিক্ষণ লোৱা নাই। আচলতে মই চিনেমা লাইনত আহিম বুলি ভবাই নাছিলোঁ। চিনেমা খুব ভাল পাইছিলোঁ, চিনেমা খুব চাইছিলোঁ। এতিয়াও মই নিজকে চিনেমাৰ দৰ্শক বুলিয়েই ভাবো। 'দাগ' ছবিখনৰ পৰা মই সহযোগী পৰিচালক হিচাপে কাম কৰিবলৈ লৈছিলোঁ। গোলাঘাটৰ খ্ৰীষ্টিয়ান হাইস্কুলত Four লৈকে মই প্ৰথমে পঢ়িছিলোঁ। তাৰপিছত ফেকাল্টি হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰিলোঁ। তাৰপিছত পুনেৰ চিনবায়চিছ কলেজৰ পৰা ১৯৯৭ চনত কলা বিভাগত স্নাতক ডিগ্ৰী লাভ কৰো। ১৯৯৮ চনত মই অসমলৈ উভতি আহিলোঁ। সঁচা কথা ক'বলৈ গ'লে মোৰ পঢ়া-শুনাত একেবাৰে মন নাছিল। দেউতাহঁতে ক'লে কাৰণে গ্ৰেজুৱেচনটো Complete কৰিলোঁ।

**■ আপোনাৰ অসাধাৰণ অভিনয় প্ৰতিভাৰ বাদে সাহিত্য, সংগীত বা অন্য কোনো বিষয়ত আপোনাৰ ৰুচি আছে নেকি?**

**মানস বৰুৱা ঃ** সংগীত মই শুনি ভাল পাওঁ। কিতাপ সাধাৰণতে মই নপঢ়ো। চিনেমা চাওঁ। চিনেমাই মোৰ বাবে কিতাপ। বিভিন্ন ভাষাৰ ছবি চাই মই ভাল পাওঁ। মই ভাবো চিনেমাই মোৰ বাবে সাহিত্য।

**■ অকল শিক্ষা আৰু সংস্কৃতিয়ে এটা জাতিৰ উত্তৰণৰ একমাত্ৰ পথ বুলি ভাবে নেকি?**

**মানস বৰুৱা ঃ** জাতি উত্তৰণৰ ক্ষেত্ৰত মই ভাবো মানুহ এজনে নিজকে চিনি পাব লাগিব আৰু নিজকে খুব ভাল পাব লাগিব। তেতিয়াহে জাতিটোক ভাল পাব পাৰিব। নিজৰ জাতিটো, ভাষাটোৰ শিপাডাল আমি কেতিয়াওঁ এৰি দিব নালাগে। উদাহৰণস্বৰূপে ধৰক আমি সৰুতে দিল্লীত থাকোঁ সেইকাৰণে হিন্দী ক'ব পাৰোঁ, অসমীয়া ক'ব নাজানো। তেতিয়াহ'লে আমাৰ অসমীয়া হোৱাৰ কোনো মূল্য নাথাকিব। আমি সৰু সৰু কথাৰ বাবে নিজৰ মাজত বিতৰ্ক কৰি থকাটো আমাৰ বাবে বৰ লাভদায়ক নহয় বৰঞ্চ ই আমাৰ জাতিটোৰ বাবে ক্ষতিকাৰক। আমি নিজকে একগোট কৰি ৰাখিব পৰাটোৱেই মূল কথা।

**■ আপোনাৰ প্ৰিয় খাদ্য?**

**মানস বৰুৱা ঃ** এতিয়া Free Diabetic হোৱা কাৰণে বহু Restriction (হাঁহি)। এনেয়ে মই মাংস খাই খুব ভাল পাইছিলোঁ। এতিয়া বৰ্তমান মই আমাৰ যি থলুৱা খাদ্য সেয়া অতি তৃপ্তিৰে খাওঁ। মই এতিয়া কিবা কিবি কামৰ সংক্ৰান্তত নগালেণ্ড যাব লগা হয় গতিকে নগালেণ্ডৰ সেই থলুৱা খাদ্যও খাই ভাল পাওঁ। অৰুণাচল গ'লে তাৰ সেই থলুৱা খাদ্য খাই ভাল পাওঁ।

**■ আপোনাৰ প্ৰিয় ৰং?**

**মানস বৰুৱা ঃ** কলা।

**■ আপোনাৰ হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন আৰু অসমীয়া ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন?**

**মানস বৰুৱা ঃ** অসমীয়া ছবি জগতৰ প্ৰিয় অভিনেতা চিৰকাললৈ বিজু ফুকন হৈ থাকিব। আছিল আছে আৰু আগলৈও প্ৰিয় অভিনেতা হৈ থাকিব। প্ৰিয় অভিনেত্ৰী মৃদুলা বৰুৱা। তেওঁ আমাৰ সম্পৰ্কীয়। বাকী যতীন বৰা প্ৰিয় অভিনেতা। হিন্দী ছবি জগতৰ প্ৰিয় অমিতাভ বচ্চন। কাৰণ তেওঁক চায়েই ডাঙৰ হৈছোঁ। কোনোবা এটা পৰ্যায়লৈকে মিঠুন চক্ৰৱৰ্তীক ভাল লাগিছিল (হাঁহি)। প্ৰিয় অভিনেত্ৰী হিচাপে সায়ৰা বানুক ভাল লাগে। ৱাহিদা ৰহমানক ভাল লাগে।

**■ আপোনাৰ পত্নী তথা পাৰিৱাৰিক জীৱনৰ বিষয়ে অলপ কওঁকচোন? আপোনাৰ পত্নীয়ে আপোনাৰ পৰিচালনাৰ দিশত কেনেকৈ উৎসাহ যোগায়?**

**মানস বৰুৱা ঃ** মই এই বছৰৰ যোৱা ফেব্ৰুৱাৰী মাহত অভিনেত্ৰী শ্যামন্তিকা শৰ্মাৰ লগত বিবাহপাশত আবদ্ধ হ'লো। ২০০৩ চনৰ পৰাই মোৰ তেওঁৰ লগত চা- চিনাকি। দৰাচলতে শ্যামন্তিকা মোক শান্ত কৰি ৰাখিব পৰা এগৰাকী মহিলা আৰু মোৰ লগত যথেষ্ট বুজাবুজিৰে চলে মোৰ পত্নী। তেওঁৰ পৰা মই সম্পূৰ্ণ সহযোগিতা লাভ কৰো।

**■ আপোনাৰ আদৰ্শ ব্যক্তি?**

**মানস বৰুৱা ঃ** আদৰ্শ ব্যক্তি মোৰ দেউতা।

**■ আপোনাৰ আগন্তুক মুক্তি পাবলগীয়া ছবিসমূহৰ নাম কওঁকচোন?**

**মানস বৰুৱা ঃ** আহিবলগীয়া ছবিৰ ভিতৰত আছে 'পথ উপপথ' বুলি এখন। পথ উপপথ ছবিখন বছৰটোৰ শেষৰফালে মুক্তি লাভ কৰিব। তাৰপিছত বাৰুদ ২ বুলি এখন ছবি মই হাতত লৈছোঁ। শ্যামন্ত গৌতম আৰু মই দুয়োজনে মিলি এই ছবিখন নিৰ্মাণ কৰিম।

**■ আপুনি ভৱিষ্যতে বলিউডৰ কোনো অভিনেতাক লৈ ছবি নিৰ্মাণ কৰিম বুলি ভাবিছে নেকি?**

**মানস বৰুৱা ঃ** তেনেকুৱা বহুত অভিনেতা আছে। মই গল্প এটা লিখি আছোঁ। এনেয়ে মুম্বাইৰ অভিনেতা ডেনী ডেনজংপাৰ ব্যক্তিত্বই মোক সৰুৰে পৰাই আকৰ্ষিত কৰিছিল আৰু মুম্বাইৰ সৌৰভ সচদেৱা যি Animal ছবিখনত অভিনয় কৰিছে তেওঁৰ লগত কাম কৰাৰ ইচ্ছা আছে। মোৰ ছবিৰ এটা গল্প তাৰ প্ৰাৰম্ভিক পৰ্যায়ৰ কাম চলি আছে। তাৰ এটা চৰিত্ৰত অভিনয় কৰিবলৈ মই ডেনী ডেনজংপাক ভাবি থৈছোঁ।

**■ আপোনাৰ প্ৰিয় শব্দ?**

**মানস বৰুৱা ঃ** 'বাবা' শব্দটো মোৰ প্ৰিয় শব্দ।

**■ জীৱন সম্পৰ্কে আপোনাৰ অভিমত?**

**মানস বৰুৱা ঃ** এতিয়া জীৱন মানে মোৰ কাৰণে দায়িত্ব। দায়িত্ব মোৰ মাৰ প্ৰতি, দায়িত্ব মোৰ পৰিবাৰৰ প্ৰতি, দায়িত্ব মোৰ বন্ধুবৰ্গৰ প্ৰতি, দায়িত্ব মোৰ অসমীয়া ছবি দৰ্শকসকলৰ প্ৰতি। মোৰ আশে পাশে থকা মানুহখিনিৰ জীৱনটো যাতে মই সুলভ কৰি তুলিব পাৰোঁ, ফৰকাল কৰি তুলিব পাৰোঁ। সেই দায়িত্ব লৈয়ে মই বৰ্তমান জীয়াই আছোঁ।

*সাক্ষাৎকাৰ গ্ৰহণ কৰোতা*

**কুলদীপ শইকীয়া**
ৰত্নপুৰ, পলিৰোড
(কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত) নগাঁও
**ম'বাইল ঃ** ৮৪৭৪০-৯৩১৬৮

# অসম বিজ্ঞান ভিত্তিক নাট প্ৰতিযোগিতাত শিৱসাগৰ ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ কৃতিত্ব



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰনালয়ৰ অধীনস্থ গুৱাহাটীৰ ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰই যোৱা ১৮ নবেম্বৰত সদৌ অসম বিজ্ঞান ভিত্তিক নাট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি শিৱসাগৰ ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ ছাত্ৰীৰ দ্বাৰা অভিনীত 'ৰজনী বিদূৰ' নামৰ নাটকে শ্ৰেষ্ঠ দল আৰু শ্ৰেষ্ঠ পৰিচালকৰ খিতাপ অধিকাৰ কৰিছিল। উল্লেখযোগ্য যে, ইয়াৰ পাছত পুনৰ ২১ নৱেম্বৰ তাৰিখে উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত অনুষ্ঠিত হোৱা বিজ্ঞান ভিত্তিক নাটক প্ৰতিযোগিতাত পুনৰবাৰ ৰজনী বিদূৰ নাটকখনে দ্বিতীয় শ্ৰেষ্ঠ নাট্যদলৰ বঁটা, বিদ্যালয়ৰ শিক্ষক প্ৰশান্ত শৰ্মাই শ্ৰেষ্ঠ পৰিচালকৰ বঁটা আৰু শিখাশ্ৰী গগৈয়ে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰি অসমৰ লগতে শিৱসাগৰৰ ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। এই প্ৰতিযোগিতাত মণিপুৰ, ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ, মিজোৰাম, চিকিম, মেঘালয়, নগালেণ্ড আৰু অসমৰ ৰাজ্যিক পৰ্যায়ৰ শ্ৰেষ্ঠ নাট্যদলসমূহে অংশগ্ৰহণ কৰিছিল। চৰকাৰী অসমীয়া মাধ্যমৰ বিদ্যালয়খনৰ এনে সাফল্যক সকলোৱে ভূয়সী প্ৰশংসা কৰিছে। লগতে বিদ্যালয়ৰ এই জয় যাত্ৰাক সামাজিক ও সাংস্কৃতিক অনুষ্ঠান 'সমন্বয় সাংস্কৃতিক গোষ্ঠী'য়ে অভিনন্দন জনাইছে। নাটকখনৰ ৰচনা আছিল বিদ্যালয়ৰ শিক্ষয়িত্ৰী ৰুণুমী মহন্তৰ। অভিনয় কৰিছে নৱম শ্ৰেণীৰ ছাত্ৰী ক্ৰমে চুহানা আৰা বেগম, শিখাশ্ৰী গগৈ, কৃষ্টিনা দত্ত, মধুস্মিতা গোহাঁই, নম্ৰতা কোঁৱৰ আৰু দিপিকা ভৰালীয়ে। গৌৰৱৰ বিষয় যে, এই নাটকখনি কলকতাৰ Birla Industrial & Technological Museum (BITM) অত অহা ৬,৭ আৰু ৮ জানুৱাৰী তাৰিখে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় বিজ্ঞান নাটক উৎসৱত উত্তৰ-পূৰ্বাঞ্চলক প্ৰতিনিধিত্ব কৰি মঞ্চস্থ হ'ব।

# নগাঁৱৰ স্মাৰ্ট লানিং প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ দ্বাৰা আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ সফল সমাপ্তি

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও চহৰৰ মাজমজিয়াৰ নতুনবজাৰত অৱস্থিত প্ৰেছক্ৰিপছন ক্লিনিকৰ ওপৰ মহলাত অৱস্থিত স্মাৰ্ট লানিং নামেৰে প্ৰশিক্ষণ প্ৰতিষ্ঠানখনৰ উদ্যোগত নগাঁও লায়ন্স ক্লাৱ প্ৰেক্ষাগৃহত অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গক বিশেষভাৱে শ্ৰদ্ধা জনায় বৰ্ণাঢ্য কাৰ্যসূচীৰে এক সাংস্কৃতিক অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে প্ৰথমে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত এগছি বন্তি প্ৰজ্বলনেৰে অনুষ্ঠান ভাগৰ শুভাৰম্ভ কৰা হয়। আনহাতে প্ৰশিক্ষণ প্ৰতিষ্ঠানখনৰ পৰিচালনা সঞ্চালক অম্লানজিত কৌশিকৰ নেতৃত্বত আয়োজন কৰা অনুষ্ঠানটোত বিশিষ্ট ব্যক্তি হিচাপে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা উপস্থিত থাকি প্ৰশিক্ষণ প্ৰতিষ্ঠানখনৰ বিষয়ে বহু উদ্‌গনিমূলক মন্তব্য আগবঢ়ায়। তাৰোপৰি প্ৰতিষ্ঠানখনত অধ্যয়নত একাংশ ছাত্ৰ-ছাত্ৰীয়ে জুবিন গাৰ্গে সৃষ্টি কৰি থৈ যোৱা কেইবাটাও কালজয়ী গীত-নৃত্যত অংশগ্ৰহণ কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। তদুপৰি কম্পিউটাৰ, ট্ৰেইলাৰিঙৰ লগতে প্ৰশিক্ষণ প্ৰতিষ্ঠানখনত উপলব্ধ সকলো বিষয়ৰ ওপৰত সুচাৰুৰূপে প্ৰশিক্ষণ লাভ কৰি ইতিমধ্যে কেইবাটাও চৰকাৰী আৰু বেচৰকাৰী খণ্ডত সংস্থাপন লাভ কৰা ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱাৰ লগতে প্ৰতিষ্ঠানখনৰ পৰা নাৰ্ছিং প্ৰশিক্ষণ লৈ অসমৰ ভিন্ন চিকিৎসালয়ত সংস্থাপন লাভ কৰা ছাত্ৰী সকলোকো বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে প্ৰশিক্ষণ প্ৰতিষ্ঠানখনৰ এই সফলতাক লৈ নগাঁৱৰ একশ্ৰেণীৰ সচেতন লোকে শলাগ লৈছে।

## আঘোণৰ পথাৰত বহিছে কিহৰ মেলা?

**নাছিৰ আহমেদ**
শিমলাবাৰী গোৱালপাৰা

কুঁৱলী-সনা ৰাতিপুৱাৰ ৰ'দ কাচলিত বহি
কেঁচা হালধীৰ সোণামুৱা সুৰুযে সুধিলে-
'আঘোণৰ পথাৰত বহিছে কিহৰ মেলা?'
টুনি চৰাইজনী পোৱালীদুটিক সাৰটি উৰা মাৰি
বতাহক কাণে কাণে কয়,
আঘোণৰ পথাৰত বহিছে ডেকা-গাভৰুৰ যৌৱনৰ উতলা মেলা।
আজি দাৱনীৰ মুখত এমোকোৰা মিঠা মিঠা হাঁহি,
হাতৰ মুঠিত আৰম্ভ হৈছে
চিকমিক চিকমিক ধৰাল কাচিৰ নাচোন,
নয়নযুৰিত নামিছে কামনাৰ জোনাকী ধল,
বুকুত চপচপ কৰে এপিয়লা দ্ৰাক্ষাৰ ৰস;
দুষ্ট বতাহে দাৱনীৰ বুকুৰ আঁচল খহায়।
আঘোণৰ পথাৰত বহিছে যৌৱনৰ উতলা মেলা।
সন্তানৰ ভৰত দো খাই ভৰি ভূমিত পৰিছে
আঘোণৰ পথাৰত গৰ্ভৱতী সোণোৱালী ধাননি ডৱা
পাহোৱাল ডেকাৰ সুঠাম দেহাত উথলি উঠিছে
শৃঙ্গাৰ ৰসৰ নৃত্য-গীতৰ চঞ্চল চঞ্চল উন্মাদনা।
এতিয়া চাৰিওফালে বিয়পিছে ভোমোৰাৰ গুণগুণ,
বন-ফৰিঙৰ বিচিত্ৰ গতি,
সোণালী পখিলাৰ সৌন্দৰ্য্য
ধাননিৰ পাতত নিয়ৰৰ উজ্বল মুকুতা।
আঘোণৰ পথাৰত বহিছে যৌৱনৰ উতলা মেলা।
দাৱনীৰ তামোলৰ পিকসনা ৰাঙলী ওঁঠত
মোক খা মোক খা আঘোণৰ সুগন্ধি- ভৰা আভা।
ডেকাৰ কান্ধত ওলমি থকা মেটমৰা ধানৰ বোজাত
বিয়পি পৰিল মন-প্ৰাণ উৰ্বৰ কৰা সৃষ্টিৰ প্ৰেৰণা।
আঘোণৰ পথাৰত বহিছে কিহৰ মেলা, সুৰুযে সুধিলে।
টুনি চৰাইজনী পোৱালীদুটিক সাৰটি ধৰি লাজতে
উৰি উৰি গৈ বতাহক কাণে কাণে কয়।
আঘোণৰ পথাৰত বহিছে ডেকা-গাভৰুৰ যৌৱনৰ উতলা মেলা।

**ম'বাইল ঃ ৯১০১৪-৬৫৮০৫**



## পকা বিলাহী কথা

**ৰুমী কলিতা দত্ত,** কেন্দুগুৰি

পকা তুল তুলীয়া বিলাহী
খোৱা যদি নিয়াহি
কম দামতে তোমাক দিম
লৈ আনিবা মোলৈ জেলেপী।

বতৰে কৰিছে বৰ নষ্ট
চৰাই-চিৰিকতি বৰ অভদ্ৰ
চিঞৰি মৰিলেও নাপাতে কাণ
বাৰী ৰখিয়া হোৱাটো টান।

চৰকাৰে নিদিয়ে বীমা কৰিবলৈ
মাঘ মাহতে বিলাহীৰ বিলৈ
শীতলীগৃহ নহ'লে বাৰীত
ফচল বিলাক হয় আথানি।

পলি গৃহ, পানী যোগান
সকলোবোৰ লাগে
সাৰ-ঔষধৰ চৰা দামত
কৃষকৰ সপোন ভাগে।
বহু কষ্টৰে কৃষকে কিমান টকানো পায়
খেতি বিলাক চাই মনটি ভৰায়
কোনোৱে আকৌ বেগ জোকাৰি
বিনামূলীয়াকৈ বিচাৰি পায়।

দিনে-ৰাতি কষ্ট কৰি দেহা ভাগি যায়
লাগতিয়াল বস্তু ক্ৰয় কৰি শেষ নহয় পাই
এবাৰ হ'লেও ভাবিব লাগে কৃষকৰ কথা
কিমান কষ্ট জানানে বাৰু ফচলবিলাক তোলা।

**ম'বাইল ঃ ৯৩৬৫৩-৭৫৩০৩**

## হাবিয়াসৰ কোলাহল

**সুনীতা শইকীয়া**
পানীগাঁও ছয়আলি

চাৰিউফালে দৌৰা দৌৰি
চিঞৰৰ বাখৰ..
তথাপিও যেন
উঁকা উঁকা
মোৰ মন মজিয়াখন,
হেঁপাহৰ টোপোলাটোও
আজি যেন
বুকুৰ ভিতৰৰ এক গোপন
কোঠালিত আছে বন্ধ,
পাইও নোপোৱাৰ
বেদনাৰ আমনিবোৰে
সঘনাই ডুবাই যায় মোক
বাস্তৱতাৰ সোৱাদত,
হাজাৰৰ মাজত
একক হোৱাৰ হেপাঁহ ..
জাগিল কিয়নো??
উত্তৰ বিচাৰি
নুমুৱাৰ খুজো মোৰ
হাবিয়াসৰ কোলাহল।।

## জুবিনৰ গানত অসম

**জাহিদুল ইছলাম**
কুঠুৰীঝাৰ

জুবিন গাৰ্গে গাই উঠিলেই
অসমখন যেন জাগি উঠে।
নদীপাৰত ফুলি থকা ধেমালি,
পাহাৰত বাজি থকা বতাহ,
সকলোতে সুৰৰ এটা মিঠা ধ্বনি।
তেওঁৰ গান
মাটিৰ গোন্ধত ভৰা।
পুৱাৰ পোহৰ, ফুলৰ সুবাস,
গাঁওখনৰ পথ,
সকলো যেন গীতৰ মাজত দেখা যায়।
জুবিনৰ কণ্ঠত
অসমৰ সুখ—দুখ দুয়ো থাকে।
কেতিয়াবা মনটো নৰম হয়,
কেতিয়া সাহস বাঢ়ে-
তেওঁৰ গীতেই এনে শক্তি দিয়ে।
অসমে জুবিনক দেখিছে
নিজৰ মানুহ হিচাপে।
তেওঁৰ সুৰত
আমাৰ সপোন থাকে,
আশা থাকে,
মানুহৰ মৰম থাকে।
জুবিন,
তোমাৰ গান আমাৰ বুকুৰ কথা।
তুমি গাই থাকিবাহে,
অসমও জীৱন্ত থাকিব।
**ম'বাইল ঃ ৯৯৫৭৩-৮৪৪৫৬**

## সংগ্ৰাম

**বলিন বৰদলৈ**
আলামি, গোলাঘাট

সংগ্ৰাম লগ্ন এই জীৱন
শূন্যতাৰ পৰা শূন্য বিছাৰি
জীৱনৰ বিৰামহীন যাত্ৰা
নাজানো কপালত মোৰ কি আছে লিখা।
জীৱনে সদায় পঢ়াই নতুন নতুন পাঠ
জীয়াই থকাৰ প্ৰেৰণাৰ সন্ধান
শূন্যতাৰ মাজত শূন্য ভংগ যাত্ৰা।
নিয়ৰ বিহীন শৰৎ
ৰং, সুবাস বিহীন ফাগুন
সেউজ বিহীন অৰণ্য
সোণগুটি বিহীন আঘোণ
জোৱাৰ বিহীন সমুদ্ৰ
আন্ধাৰ বিহীন ৰাতি
প্ৰেম বিহীন যৌৱনৰ দৰে
সংগ্ৰাম বিহীন জীৱন অৰ্থহীন।

**ম'বাইল ঃ ৯৪০১৮-৭৬৭২৮**

## এনে বহু প্ৰতীক্ষাৰ অন্ত পৰিব

**জেফলিন চুলতানা,** ধিং বৰী পথাৰ

জীৱনত নীৰৱে অহা অকথিত টোবোৰ
অমানিশা, স্বপ্নগাঁথা অনুভৱ এটিৰ দৰে
অতীত সুঁৱৰি জহ গৈছে স্বপ্ন মৰিচিকালৈ
হৃদয়ৰ এটি নিজান কোণত জোনাক নিশাৰ বহু অধ্যায়

স্নিগ্ধ জোনাক, নিতাল ৰাতি, ক্লান্ত মই
হাজাৰ আবেগৰ নিঃশব্দ অভিযোগত
নীৰৱ আজিৰ বাস্তৱ আৰু সময়
কোনোৱে কয় সুখৰ জীৱন
কোনোৱে কয় জলছবি
তথাপিও জীৱন বিন্দাছ....।
বাস্তৱৰ কঠিন স্পৰ্শত আপোনাৰ
কবিতাৰ ভাষা বুজিব নালাগে
জীৱনৰ কঠিন স্পন্দনক বাধা দি মই শিল হ'ব খোজোঁ
নালাগে মনৰ সকলো গোপনীয়তা প্ৰকাশ কৰিব
নালাগে জোনাকী পৰুৱা হৈ কাষত বহাব
নিশাৰ নিৰ্জন আকাশৰ তলত
সকলো নীৰৱতাৰ নিঃশেষ কৰিম মই
প্ৰতিটো স্পন্দনক মই এতিয়া বাধা দিম
হয়তো যিবিলাকে আপোনাকো বৰকৈ আমনি কৰে।

বিষাদৰ শিকলিৰে বান্ধি ৰখা বিষবোৰ উন্মুক্ত কৰি দিম
বেদনাবোৰক শব্দ ৰূপেৰে চিএৰি দিম
কলমটো হাতত তুলি লৈ ছন্দবোৰ মিলাব চেষ্টা কৰিম
মৰমবোৰে ভিৰ কৰিলে ক'ম
জীৱন যুদ্ধত বহুদূৰ আগুৱাই যাবলৈ আছে।

উকা কাগজত সামৰিম এনে বহু অকথিত জীৱন যুদ্ধৰ অধ্যায়
তেতিয়া এনে লাগিব যেন বহু প্ৰতীক্ষাৰ অন্ত পৰিব
আৰু সেই প্ৰতীক্ষাৰ কাহিনীবোৰে

## শূন্যতা

**এ.আৰ ৰহমান**

তোমাক বিদায় জনাবলৈনো মোৰ কি আছে?
তোমাক সম্ভাষণ জনাবলৈও মোৰ একো নাই
আৱেগ, অভিলাষ, অনুভৱ, স্মৃতি নে শূন্যতা।
তুমি কোন?
তুমি বিচ্ছেদৰ ব্লেকহোলত হেৰাই যোৱা
মোৰ নয়ন মণি ধ্ৰুৱতৰা।
মই কোন?
মই তোমাৰ চহৰৰ অৱহেলাৰ গুলিত
গুলিবিদ্ধ এক সৰ্বহাৰা প্ৰেমিকযোদ্ধা।
তোমাৰ লগৰী কোন?
কোনোবা নতুন চহৰৰ কোনো নতুন উশাহ।
কোনো নতুন দিনৰ কোনো নতুন সুবাস।
মোৰ লগৰী কোন?
নিৰ্জন নিশা, ক্লান্ত উশাহ আৰু
তুমি এৰি যোৱা এক আকাশ শূন্যতা।
তোমাৰ চহৰতো শূন্যতা নামেনে?
গধূলিৰ এজাক চেঁচা বতাহে চুই যায় নে
তোমাৰ বিষন্ন বুকু?
বহু আপোন হৈও মই আজি বহু পৰ
বহু ওচৰ হৈও তুমি আজি বহুযোজন দূৰ।
অভিযোগখিনি দাফোন কৰি
অনুভৱখিনি হত্যা কৰিলোঁ
তথাপি মৃত হৃদয়েও চিএৰি উঠে
তুমিহীনতাৰ যন্ত্ৰণাত।

এই ক'লা-বগা জীৱনৰ পৰিসমাপ্তি ক'ত?
সময়ৰ চকৰীত ঘূৰি ঘূৰি হাৰি যায় জীৱন
জিকি যায় মাথোঁ শূন্যতা।
ব্যৰ্থতাৰ দৰ্জাত বাৰে বাৰে উজুটি খায় জীৱন
ভাঙি যায় স্বপ্নৰ কাৰেং
বৈ যায় মাথোঁ আফচোছ
কেৱল শূন্যতা, শূন্যতা আৰু শূন্যতা।

**ম'বাইল ঃ ৯৭০৭১-৫৯৩৬৬**

## ডিমেনচিয়াত জানো সোঁৱৰণী থাকে

**হিমাশ্ৰী গৌতম**
মঙলদৈ, দৰং

সময়ে চাবি দিয়া আমি একো একোটা পুতলা
সময়ৰ মতেই ঘূৰি থাকে জীৱনৰ পাকচক্ৰ।
এদিন আপুনি সুধিছিল
ঃ ইমানকৈ কিয় হাঁহা?
উত্তৰত মই কৈছিলো
ঃ সুখী মই।
লগেই লগেই পৰিচয় হৈছিল মোৰ আত্মাৰ লগত
ঃ ওঁহো,বিষণ্ণ তুমি।
বিষণ্ণ মানুহে সুখী হোৱাৰ অভিনয় কৰে।
মই নোকোৱাকৈয়ে কিদৰে চিনিছিল মোৰ সত্বাক?
আপুনি ভালপোৱা ফুলপাহত অনেক কাঁইট।
প্ৰেমত আতুৰ হোৱাৰ কোনো বাসনা নাই।
জীৱনৰ প্ৰতি কোনো মোহ নাই।
আপোনাৰ প্ৰতিও যে নাছিল কোনো উন্মাদনা।
তথাপিও কাঁইটবোৰকো আলফুলে সামৰি
সেই পাহ ফুলেই কিয় আছিল আপোনাৰ পৃথিৱীৰ সমস্ত সুবাস।
কেতিয়াবা মোৰ বৰ ভয় লাগে।
ডিমেনচিয়াত পৰি পাহৰি পেলাম নেকি আপোনাক
ক্ৰমান্বয়ে যে মই হেৰুৱাই আহিছোঁ নিজক।
ভয় লাগে যদি পাহৰি যাওঁ আপোনাৰ মাত
অথবা নিচিনা হৈ যাওঁ এবাৰ মোৰ বাবেই উদ্বাউল হৈ থকা
গভীৰ চকুহাল...
যদি মোৰ অচিনাকি হৈ পৰে মই আপোনাৰ হোৱা সময়বোৰ।
ডিমেনচিয়াত জানো সোঁৱৰণী থাকে।
শংকাত ভাৱাক্ৰান্ত মই।
লাহে লাহে যে নিজক পাহৰিছো
যদি পাহৰি যাওঁ আপোনাকো
মোক বাৰু আপোনাৰ মনত থাকিব নে...?
(ডিমেনচিয়া (dementia).নিজৰ অতীত, বৰ্ত্তমান সকলো পাহৰাই দিয়া এক মনোৰোগ)

## আঘোণৰ হাঁহিবোৰ

**যমুনা দুলু বৈশ্য**
শুৱালকুছি

দহোটা আঙুলীৰ
ভাগৰুৱা দেহাৰ
দুখ, ভোক, হতাশাৰ অন্তত-
আঁতৰিব ক্ষোভ।
শ্ৰমৰ মূল্যৰে
সেউজ লগ্নৰ সান্নিধ্যত
এখন্তেকৰ বাবে
বিচাৰি পায়
অনাবিল সুখ।
সেউজীয়াবোৰ
সোণগুটি হ'ব
আগচোতালত
আকাংক্ষাত বন্দী হ'ব
এচেৰেঙা ৰ'দ,
দিন-ৰাতি সংগ্ৰামৰ
সেমেকা ওঁঠত
বিৰিঙিব স্বপ্নৰ হাঁহি।

## আমি কথা পাতিম

**জ্ঞানেন্দ্ৰ বল্লভ গগৈ**
বেকাজান

শব্দময় বসন্তৰ নৈঃশব্দত
তোমাৰ সতে কথা পাতিম
হিয়া উবুৰিয়াই,
মোৰ জীৱন নদীৰ ছন্দত
তোমাৰ হৈমন্তী হাতেৰে
ছবি আঁকিবা,
আমি কথা পাতিম
জোনাকী ফাগুন গধূলি
হৃদয়ৰ দুৱাৰ খুলি।

প্ৰথম পৃষ্ঠাৰ পৰা

## ৰঙিয়া বিধানসভা সমষ্টিৰ ৩২,৭৮৭ গৰাকী মহিলালৈ

সেনাই মোগলক পৰাজিত কৰি অসমীয়াৰ বীৰত্ব প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। তেওঁ লাচিত বৰফুকনৰ আদৰ্শেৰে উজ্জীৱিত হৈ অসম মাতৃক, অসমৰ মাটিক ৰক্ষা কৰাৰ বাবে অসমৰ নৱ প্ৰজন্মক আহ্বান জনায়। ভাষণত ড° শৰ্মাই তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৰহাটত এখন জনসভাত প্ৰদান কৰা ভাষণত দেশৰ তিনি কোটি মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়াৰ সংকল্পৰ কথা ঘোষণা কৰিছিল। মহাত্মা গান্ধীয়ে অসমৰ মহিলাই তাঁতশালত সপোন ৰচিব পাৰে বুলি কৰা মন্তব্যৰ উদ্ধৃতিৰে প্ৰধানমন্ত্ৰীয়ে অসমীয়া মহিলা উদ্যোগী, সকলো ফালৰে পৰা আগবঢ়া, সুযোগ আৰু সুবিধা পালে লাখপতি বাইদেউ হ'ব পাৰিব বুলি মন্তব্য কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰামৰ্শ মৰ্মে অসমৰ ৪০ লাখ মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়াৰ বাবে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আৰম্ভ কৰা বুলি ড° শৰ্মাই কয়। তেওঁ কয় যে অসমৰ বহু লক্ষ মহিলা ইতিমধ্যে লাখপতি বাইদেউ হৈছে। বছৰি ১০ লাখ টকা বা তাতকৈ অধিক উপাৰ্জন কৰি অসমৰ বহু মহিলা মহা লাখপতি বাইদেউ হৈছে। তেওঁ কয় যে অহা জানুৱাৰী মাহৰ ভিতৰত অসমৰ ৩২ লাখ মহিলাক মহিলা উদ্যমিতা অভিযানৰ পুঁজি বিতৰণ কৰা হ'ব। ড° শৰ্মাই কয় যে প্ৰথম কিস্তিত প্ৰদান কৰা ১০ হাজাৰ টকা আৰম্ভণিহে। এই ধন উৎপাদনমূলক কামত খৰচ কৰিলে পৰৱৰ্তী সময়ত অধিক ধন প্ৰদান কৰা হ'ব। প্ৰথম কিস্তিৰ ১০ হাজাৰ টকা কেনেদৰে ব্যৱহাৰ কৰি সেই সন্দৰ্ভত বাখ্যা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উদ্যমিতা পুঁজি হিচাপে লাভ কৰা ১০ হাজাৰ টকাৰ প্ৰথম কিস্তিৰ ধন যদি মহিলাসকলে নিজৰ আত্মসহায়ক গোটত জমা কৰে, তেনেহলে ১ লাখ টকাৰ এটা পুঁজি গঠন হ'ব। এই পুঁজিৰে আৰু বেংকৰ পৰা ঋণ লৈ তেওঁলোকে সমূহীয়াভাৱে কোনো ব্যৱসায় আৰম্ভ কৰিব পাৰে। নতুবা তেওঁলোকে নিজস্বভাৱেও কোনো ব্যৱসায় আৰম্ভ কৰিব পাৰে, নাইবা পৰিয়ালৰ পূৰ্বতে থকা ব্যৱসায়ৰ সম্প্ৰসাৰণৰ কামতো এই পুঁজি ব্যৱহাৰ কৰিব পাৰে। ৬-৭ মাহ মানৰ পিছত চৰকাৰে এই পুঁজিৰ ব্যৱহাৰৰ মূল্যায়ন কৰিব বুলি উল্লেখ কৰি তেওঁ কয় যে মহিলাসকলে প্ৰাৰম্ভিক পুঁজি হিচাপে লাভ কৰা এই ১০ হাজাৰ টকা সদ্ ব্যৱহাৰ কৰিলে দ্বিতীয় বছৰত ২৫ হাজাৰ টকা আৰু এই ধন উৎপাদনমুখী কামত খৰচ কৰিলে তৃতীয় বছৰত ৫০ হাজাৰ টকা লাভ কৰিব। অসমৰ মহিলাই কষ্ট কৰি আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ লগতে বহুতে নিজকে লাখপতি আৰু মহা লাখপতি বাইদেউ হিচাপে প্ৰতিষ্ঠা কৰিব পাৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰঙিয়া সমষ্টিৰ কেইগৰাকীমান লাখপতি বাইদেউৰ উদাহৰণ দাঙি ধৰে। তেওঁ কয় যে ৰঙিয়া উন্নয়ন খণ্ডৰ আকাশীগংগা চিএলএফৰ অধীনৰ মণিকাঞ্চন আত্মসহায়ক গোটৰ সদস্যা নমিতা কলিতাই ৰেষ্টুৰেণ্ট আৰু খাদ্য ব্যৱসায়ৰ জৰিয়তে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। তেওঁ মাহে প্ৰায় ১২ হাজাৰ টকা উপাৰ্জন কৰে। একেদৰে সমষ্টিটোৰ তুলসীবাৰী গাঁৱৰ মহিয়সী চিএলএফৰ অধীনৰ সোঁৱৰশিৰি আত্মসহায়ক গোটৰ সদস্যা ববীতা চৌধুৰীয়ে নাৰ্চাৰী ব্যৱসায়ীৰে মাহে প্ৰায় ১৫ হাজাৰ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। ৰঙিয়া সমষ্টিত নতুনকৈ তিনি হাজাৰ মহিলাক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰা হ'ব বুলি সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অৰুণোদয় কেৱল ধন প্ৰদানৰ আঁচনি নহয়, ইয়াৰ জৰিয়তে ঘৰত মহিলাসকলৰ সন্মান বৃদ্ধি পাইছে। তেওঁ কয় যে ৰঙিয়া সমষ্টিত বৰ্তমান ৩৩,৭৮৪ টা পৰিয়ালে অৰুণোদয় আঁচনিৰ ধন লাভ কৰি আছে। ৪০,১৭৮ গৰাকী হিতাধিকাৰীয়ে বিনামূলীয় ৰন্ধন গেছৰ সংযোগ লাভ কৰিছে, ৪,৩৭৬ গৰাকী ছাত্ৰীয়ে নিযুত মইনা আঁচনিৰ সুবিধা লাভ কৰিছে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত অসম চৰকাৰে ৰাজ্যৰ দৰিদ্ৰ আৰু মধ্যবিত্ত ৰাইজৰ বাবে নিৰন্তৰ কাম কৰি আছে। নিৰ্বাচনী প্ৰতিশ্ৰুতি ৰক্ষা কৰি ৰাজ্য চৰকাৰে ১ লাখৰো অধিক লাখ যুৱক-যুৱতীক স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে মেধাৰ ভিত্তিত চৰকাৰী চাকৰি প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমত মহিলাসকলৰ মাজত এটা জাগৰণৰ সৃষ্টি হৈছে। বৰ্তমান অসমত মহিলাসকল নিৰাপদ বুলি মন্তব্য কৰি তেওঁ কয় যে নৱম শ্ৰেণীৰ ছাত্ৰীক চাইকেল, মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰীক স্কুটী, বিনামূলীয়া নামভৰ্তি আদি সুবিধা চৰকাৰে প্ৰদান কৰিছে। ইয়াৰ লগতে অৰুণোদয়, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ পুঁজি, সুলভ মূল্যত চেনী, নিমখ, দাইল, বিনামূলীয়া চাউল প্ৰদানেৰে চৰকাৰে মহিলাসকলক চিন্তামুক্ত কৰিবলৈ চেষ্টা কৰিছে। এই অনুষ্ঠানত পৰিৱেশ আৰু বন আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ৰাজ্যসভাৰ সাংসদ ভুৱনেশ্বৰ কলিতা, লোকসভাৰ সাংসদ দিলীপ শইকীয়া, বিধায়ক ভবেশ কলিতা, সুমন হৰিপ্ৰিয়া, কামৰূপ জিলা পৰিষদৰ সভাপতি নিপন ভূঞা, ৰঙিয়া পৌৰসভাৰ পৌৰপতি অমৰেন্দ্ৰ লহকৰ, সমাজকৰ্মী ভাস্কৰ কলিতা, অসম উদ্যোগিক উন্নয়ন নিগমৰ উপাধ্যক্ষ নবদ্বীপ কলিতা, যুৱ আয়োগৰ ৰাষ্ট্ৰীয় সদস্য ৰাতুল শৰ্মা, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ প্ৰকল্প সঞ্চালক কুন্তলমণি শৰ্মা বৰদলৈ, কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## গোৱালপাৰা জিলা প্ৰশাসনৰ সহযোগত কৃষি বিভাগৰ

তেখেতে আৰু কয় যে আমি জনসাধাৰণৰ যদিয়ে সুস্বাস্থ্যকৰ জীৱন এটি জীয়াই থাকিব লাগে তেতিয়াহ'লে জৈৱিক কৃষিৰ যোগেদি আমি আগবাঢ়িব লাগিব, ৰাসায়নিক সাৰ ব্যৱহাৰ কৰি শাক-পাচলি খোৱাৰ ফলত আমি ৰুগীয়া বুলি মত পোষণ কৰে কৃষক মৰ্চা অসম প্ৰদেশৰ ৰাজ্যিক সাধাৰণ সম্পাদক গৰাকীয়ে। এই সভাতেই গোৱালপাৰা জিলাৰ আয়ুক্ত প্ৰদীপ টিমুংৰ সৈতে গোৱালপাৰা জিলাৰ কৃষকসকলে মত বিনিময় কৰে আৰু অসুবিধাসমূহ আলোচনা কৰে আৰু আয়ুক্ত মহোদয়ে সকলো কৃষকৰ সমস্যা সমাধান কৰিবলৈ জিলা কৃষি বিভাগক নিৰ্দেশ দিয়ে। জিলা কৃষি বিষয়া আৰু জিলা মীন বিষয়াসকলেও এই সভাতেই কৃষকৰ লগত মত বিনিময় কৰে আৰু কৃষকৰ অসুবিধা সমূহ বুজ লয়। এই সভাত গোৱালপাৰা জিলাৰ সাতটা মণ্ডলৰ কৃষকসকল উপস্থিত থাকে। ভাৰতীয় জনতা পাৰ্টি কৃষক মৰ্চা অসম প্ৰদেশৰ এনে ধৰণৰ পদক্ষেপৰ বাবে কৃষক মৰ্চা অসম প্ৰদেশক ভূয়সী প্ৰশংসা কৰে কৃষকসকলে। এই সভাতেই ৰাজহুৱাভাৱে অসম গৌৰৱ বঁটা প্ৰাপ্ত কৃষক উপেন ৰাভা ডাঙৰীয়াক ও ভাৰতীয় জনতা পাৰ্টি কৃষক মৰ্চা অসম প্ৰদেশৰ তৰফৰ সম্বৰ্ধনা জনোৱা হয়। এই সভাত উপস্থিত থাকে কৃষক মৰ্চা অসম প্ৰদেশৰ ৰাজ্যিক উপ-সভাপতি ৰাতুল পাঠক ডাঙৰীয়া, কৃষক মৰ্চা অসম প্ৰদেশৰ ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্য্য ডাঙৰীয়া, গোৱালপাৰা জিলাৰ মাননীয় জিলা আয়ুক্ত প্ৰদীপ টিমুং ডাঙৰীয়া, ভাৰতীয় জনতা পাৰ্টি গোৱালপাৰা জিলাৰ জিলা সভাপতি দিপাংক নাথ ডাঙৰীয়া, জিলা পাৰিষদ সদস্য আব্দুৰ ৰহিম জিব্ৰান ডাঙৰীয়া, কৃষক মৰ্চা গোৱালপাৰা জিলাৰ জিলা সভাপতি কৃষ্ণ ৰায় ডাঙৰীয়া, ভাৰতীয় জনতা পাৰ্টি অসম প্ৰদেশৰ জেষ্ঠ কাৰ্যকৰ্তা টিনামণী দৈমাৰী ডাঙৰীয়ানী, ভৃগুৰঞ্জন ৰাভা ডাঙৰীয়া, দিপক নাথ ডাঙৰীয়া, গোৱালপাৰা নগৰ উন্নয়ন সমিতি অধ্যক্ষ দিপক পাঠক, জিলা কৃষি বিষয়া, কৃষক মৰ্চা অসম প্ৰদেশৰ ৰাজ্যিক সমিতিৰ তৰফৰ উপস্থিত থাকে ক্ৰমে পংকজ বৰুৱা ডাঙৰীয়া, হৰদ্বীপ চৌধুৰী ডাঙৰীয়া, প্ৰকাশ শইকীয়া ডাঙৰীয়া, হৃষিকেশ কলিতা ডাঙৰীয়া, মানিক সিংহ ডাঙৰীয়া, ৰাজীৱ শৰ্মা ডাঙৰীয়া, কাবেন ডেকা ডাঙৰীয়া, দিব্যজ্যোতি ৰয়, বুবুল ভৰালী ডাঙৰীয়া, ডালিম কলিতা, অভিজিৎ সাহা, চিৰণজিৎ সাহা, গোৱালপাৰা জিলা কৃষক মৰ্চাৰ সাতটা মণ্ডলৰ মাননীয় মণ্ডল সভাপতিসকল। গোৱালপাৰাৰ জিলা কৃষি বিভাগৰ বিষয়াসকলৰ লগতে উপস্থিত থাকে সন্মানীয় কৃষক বন্ধুসকল।

## ক্ষেত্ৰীত ভাৰত-ইজৰাইল কৃষি প্ৰকল্পৰ অধীনত শাক-পাচলিৰ

এই সুবিধাই ইতিমধ্যে টমেটো, মেৰিগল্ড, ৰঙীন কেপচিকাম, বিলাহী আৰু ব্ৰকলিৰ দৰে শস্যৰ ৭ লাখৰো অধিক পুলি উৎপাদন কৰিছে, যিবোৰ ৯খন জিলাত বিনামূলীয়াকৈ বিতৰণ কৰা হৈছে, যাৰ ফলত কৃষকসকল যথেষ্ট উপকৃত হৈছে। তেওঁ লগতে কয় যে কেন্দ্ৰটোলৈ অহা কৃষকসকলে নতুন জলসিঞ্চন পদ্ধতি আৰু আধুনিক পথাৰ কৌশলৰ সৈতে পৰিচিত হ'ব যিবোৰ নিজৰ পামত গ্ৰহণ কৰিব পৰা যাব। ইণ্টাৰনেট অৱ থিংছ ভিত্তিক স্বয়ংক্ৰিয় জলসিঞ্চন আৰু সাৰ ব্যৱস্থাক এটা মূল বৈশিষ্ট্য হিচাপে আলোকপাত কৰি ড° শৰ্মাই কয় যে এই প্ৰযুক্তিয়ে কৃষকসকলে ম'বাইল ফোন বা কম্পিউটাৰৰ জৰিয়তে দূৰৈৰ পৰা জলসিঞ্চন নিয়ন্ত্ৰণ কৰিব পাৰিব, যাৰ ফলত শস্যলৈ পানী আৰু পুষ্টিকৰ পদাৰ্থ সময়মতে যোগান ধৰাটো নিশ্চিত হ'ব। ইতিমধ্যে কেন্দ্ৰটোত ৬০০ৰো অধিক কৃষকক প্ৰশিক্ষণ দিয়া হৈছে বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে কৃষি ক্ষেত্ৰত প্ৰগতিশীল ডিমোৰিয়া-সোণাপুৰ অঞ্চলে কেন্দ্ৰটোত উপলব্ধ প্ৰযুক্তিৰ পৰা যথেষ্ট লাভৱান হ'বলৈ থিয় দিছে। ৰাজ্য চৰকাৰে কৃষিৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে কৃষকসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ উচিত মূল্য লাভ কৰাটো নিশ্চিত কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহ পুনৰ উল্লেখ কৰে মুখ্যমন্ত্ৰীয়ে। উদ্যান শস্যৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ কয় যে ধান আৰু সৰিয়হৰ সমান্তৰালভাৱে উদ্যান শস্যক সমানে গুৰুত্ব দি কৃষকসকলে যথেষ্ট আৰ্থিক লাভৰ সাক্ষী হ'ব।

# ভাগ্যৰ ওপৰত বিশ্বাস কৰি একো লাভ নাই

■ **ভাস্কৰ প্ৰিয়ম হাজৰিকা,** কৰচুং সত্ৰ, নগাঁও

**জী**ৱন মানেই এক অবিৰত যাত্ৰা। এই যাত্ৰা আমাৰ জন্ম হোৱাৰ লগে লগে আৰম্ভ হয় আৰু মৃত্যু পৰ্যন্ত চলি থাকে। এই যাত্ৰাত সুখ, দুখ, সফলতা, বিপৰ্যয়, লক্ষ্য, আশা, স্বপ্ন সকলোবোৰ জড়িত হৈ থাকে। আমি দৈনন্দিন জীৱনত বহুক্ষেত্ৰতে পিছলি পৰো কিন্তু আমাৰ জীৱনত একোটা সমস্যা আহিলেই আমি দায়িত্বৰ পৰা মুখ ঘূৰাই 'ভাগ্য' নামৰ এটা অদৃশ্য শব্দক দোষ উজাৰি সেই কৰ্মৰ পৰা বাৰেপতি বিচলিত হওঁ। যাৰ ফলত আমাৰ দ্বাৰা একোৱেই সুন্দৰভাৱে সম্পাদনা হৈ নুঠে বৰং আমাৰ মন-মগজুত নেতিবাচক চিন্তাই গাঢ় কৰি আমাৰ কৰণীয় তথা আমাৰ মনটোক গিলি পেলায়। আমি লাহে লাহে নিজৰ মাজত থকা শক্তিখিনিক পাহৰি যাওঁ। এক কথাত ক'বলৈ এয়া এটা আমাৰ জীৱনৰ ডাঙৰ বেমাৰ।

সকলো সময়তে নিজৰ ভাগ্যখনক বিশ্বাস কৰি একো নাই যদিহে আমি নিজৰ কৰ্মত মনোনিৱেশ নকৰো। আমি সকলোৱে ভাগ্যক বিশ্বাস কৰো কিন্তু তাৰ আগতে আমি নিজৰ কৰ্মখিনিত কঠোৰ পৰিশ্ৰম, মনোবলেৰে আগবাঢ়িব লাগিব। প্ৰথমে নিজৰ খেলপথাৰখনত নিজকে এজন দুৰ্দান্ত খেলুৱৈ হিচাপে গঢ় দিব লাগিব। ভাগ্যক বিশ্বাস কৰি একো লাভ নাই যদিহে তুমি নিজৰ কৰ্মখিনি সঠিকভাৱে সম্পাদনা কৰা নাই।

ভাগ্য একো নহয়। ই মাথোঁ সময়, পৰিস্থিতি আৰু সুযোগৰ মিলন। এই তিনিটা মিলন ঘটাবলৈ হ'লে প্ৰথমে তুমি কৰ্ম কৰিব লাগিব আৰু অকল কৰ্ম কৰিলেই নহ'ব লগতে লাগিব কঠোৰ পৰিশ্ৰম, ধৈৰ্য্য একাগ্ৰতা আৰু নিজস্বতা। যাতে হাজাৰ বিফল হ'লেও পৃথিৱীৰ কোনো শক্তিৰে তোমাক কেতিয়াও নিজৰ পথৰ পৰা বিচলিত কৰিব নোৱাৰে। যেতিয়ালৈকে কৰ্ম নকৰে তেতিয়ালৈকে ভাগ্য আহিব নোৱাৰে।

এই পৃথিৱীত সকলোতকৈ অসফলতাৰ প্ৰথম বাক্যশাৰী হৈছে 'ভাগ্যত নাই চাগে।' এয়া হৈছে দুৰ্বল মনৰ বাক্য। জীৱন যদি এইশাৰী বাক্য মনলৈ আনিছে আপুনি কেতিয়াও সফল হ'ব নোৱাৰে। আপুনি নিজৰ বিজয়ৰ পতাকাখন নিজৰ হাতেৰে নমাইছে আৰু যুদ্ধখন আৰম্ভণি নকৰা আগতেই নিজেই পৰাজয় স্বীকাৰ কৰিছে। আপুনি যুঁজক বাৰে বাৰে তাৰ ফলাফল আপোনাৰ কৰ্ম, একাগ্ৰতা, ধৈৰ্য্য আদিৰ বলত গম পাব। এনেবোৰ দুৰ্বল বাক্য সদায় জীৱনৰ পৰা পৰিহাৰ কৰক কাৰণ এনে বাক্যই আপোনাৰ মন-মগজুত নেতিবাচক প্ৰভাৱ পেলাব পাৰে আৰু আপুনি প্ৰতিটো কাম কৰোঁতে যদি অসফল হয় এইষাৰ কথাকে মনলৈ আনিব। তাৰ ফলত আপোনাৰ দ্বাৰা সকলো কামেই আধৰুৱা নাইবা আপুনি বিফলতাৰ হোৱাৰ পিছত যুঁজিবলৈ বাদ দিব। জীৱনত সফল হোৱা প্ৰতিজন লোকেই অসফলতা দেখিছে আৰু পুনৰ যুঁজিব শিকিছে তাৰফলত নিজৰ ভাগ্য নিজেই লিখিছে।

একোজন খেলুৱৈয়ে খেলপথাৰত নমা আগতেই যদি ভাবে মই হাৰিম বা ভাগ্যত যি আছে তাকে হ'ব তেতিয়া তেওঁ কোনোদিনে জয়ী হ'ব নোৱাৰে কাৰণ তেওঁ যুদ্ধ আৰম্ভ হোৱাৰ আগতেই মানসিকভাৱে পৰাজয় স্বীকাৰ কৰিছে। ভাগ্যক ধীৰাই থকাতকৈ নিজৰ ক্ষমতা উন্নয়ন, অভ্যাস, অধ্যয়ন, অধ্যৱসায় আৰু পৰিশ্ৰমক নিয়মিত অনুশীলন কৰিব লাগিব। তেতিয়াহে সফলতাৰ শিখৰলৈ বগাব পাৰিব।

আমি যেতিয়া নিজকে কওঁ 'ভাগ্যত নাই চাগে।' তেতিয়া আমাৰ মগজুৱে কয় 'হয়, আমি নোৱাৰিম আৰু মোৰ দ্বাৰা নহ'ব একো।' এনে চিন্তা আৰু মানসিকতাই আমাৰ শক্তিবোৰক মৃত্যু ঘটায়। পিছত আমি কৰ্ম আৰম্ভ কৰিলেও আমাৰ মনত ভয় আৰু দ্বিধাই মনটোক ঢাকি পেলাই ফলত আমি সদায় নিজৰ ভাগ্যখনকে দোষ দি কৰ্মৰ পৰা গা এৰা দিওঁ। এই পৃথিৱীত হাজাৰজন মানুহ আছে কিন্তু সফলতা সকলোৱে পোৱা নাই যিজনে সফলতা পাইছে তেওঁলোকে ভাগ্যৰ বাবে অপেক্ষা নকৰে, ভাগ্য তেওঁলোকে নিজেই লিখে।

জীৱনত যদি সফল হ'ব বিচাৰিছে ভাগ্যৰ বাবে অপেক্ষা নকৰিব, পৰিস্থিতিৰ ওপৰত অভিযোগ নানিব, অফলতা দেখি ভয় বা পিছুৱাই নাহিব, আনক কেতিয়াও দোষ নিদিব। প্ৰথমে নিজক বিশ্বাস কৰক আৰু নিজকে কৰ্মত মনোনিৱেশ কৰক। ভাগ্য কোনো বিধাতাই কপালত লিখা শব্দ নহয়। ভাগ্য হৈছে কপালৰ ঘাম, পৰিশ্ৰম, ধৈৰ্য্য আৰু মনোবলৰ একোটা সংমিশ্ৰণ।

ভাগ্যক ধিৰাই বহি থাকি একো লাভ নাই যেতিয়ালৈকে আমি আগবাঢ়ি নাযাওঁ।

**ম'বাইল ঃ** ৯৩৬৫৭-৫৯৬২৯

# সংগ্ৰাম

■ **ৰশ্মি ৰেখা দুৱৰা,** ডিব্ৰুগড়

বিকিয়ে কামৰ ঠাইত ভাতকেইটা খায় থাকোঁতে দেউতাকৰ মুখখনে চকুত ভাঁহি থাকে। কেতিয়াবা আপোনা আপুনি চকুৰে লোতক বৈ আহে।

ঃ অ' বৌ, আজি মই ভাত নাখাওঁ। ওমাৰ ভাতকেইটা বান্ধি দিয়ক।

ঃ কিয়?

ঃ দেউতা আৰু মই একেলগে খাম।

ঃ আজি চব্জি কমকৈ আছে, ইয়াতেই খায় যোৱা। দুজনলৈ কম হ'ব।

ঃ কম হ'লে মোৰ ভাগটোৱে বান্ধি দিয়ক, মই নাখালেও হ'ব। দেউতাকে দিমগৈ।

সদায় কাজিয়া। পুৱাৰে পৰা ৰাতিলৈ মাক-বাপেকৰ কাজিয়া দেখি দেখি বিকি অতিষ্ঠ হৈ গৈছে।

গৰমৰ বন্ধত ফুৰিবলৈ সময় নাই। জীৱন সংগ্ৰামৰ সৈতে যুঁজিছে। য'ত যি কাম পাইছে কৰি গৈছে। চকুৰে নেদেখা দেউতাকৰ দায়িত্ব বিকিয়ে ভালদৰেই পালন কৰিছে। মাকে যে দেউতাকক ঘৰৰ পৰাই উলিয়াই পঠাইছে। ভাত দিয়া দূৰৰে কথা।

জনতাৰ চৰকাৰ | my GOV মেৰী সৰকাৰ

সত্যমেৱ জয়তে
অসম চৰকাৰ
উচ্চ আৰু বিদ্যালয় শিক্ষা বিভাগ

# নিযুত মইনা ২.০ৰ

## চেক বিতৰণ

উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ
**১০ লাখ**
কন্যা শিক্ষাৰ্থীৰ বাবে অসম চৰকাৰৰ অভিলাষী পদক্ষেপ

মুখ্যমন্ত্ৰীৰ
**নিযুত মইনা আঁচনি**





## জিলা অনুসৰি ছাত্ৰীৰ সংখ্যা

| জিলা | উচ্চ শিক্ষা | বিদ্যালয় শিক্ষা | এছ চি ই আৰ টি | মুঠ |
|---|---|---|---|---|
| কামৰূপ | ১০৯৭৫ | ১১৪৩৩ | ১৩ | ২২৪২১ |
| কামৰূপ (মহানগৰ) | ১৩১৬৩ | ৭৯০১ | ২০ | ২১০৮৪ |
| নগাঁও | ৯৬৩৩ | ৯৭৩৬ | ৭ | ১৯৩৭৬ |
| বৰপেটা | ৭২৭২ | ১১০৩১ | ৪৬ | ১৮৩৪৯ |
| কাছাৰ | ৬১০৭ | ১০৫৫৮ | ১৯ | ১৬৬৮৪ |
| ধুবুৰী | ৫৭৯২ | ১০১৮১ | - | ১৫৯৭৩ |
| লখিমপুৰ | ৬৬২২ | ৮৫৭৯ | ২৪ | ১৫২২৫ |
| ধেমাজি | ৫২৪৪ | ৭৬৫৬ | ১৪ | ১২৯১৪ |
| কোকৰাঝাৰ | ৬০৯২ | ৬৫৯৯ | ৪৭ | ১২৭৩৮ |
| ডিব্ৰুগড় | ৫৯৪২ | ৬৩২৩ | ৪৯ | ১২৩১৪ |
| গোৱালপাৰা | ৪৫৭৩ | ৭৪১১ | ৫৪ | ১২০৩৮ |
| মৰিগাঁও | ৪০৬৯ | ৭৮০১ | ১১৪ | ১১৯৮৪ |
| নলবাৰী | ৫৮৮৩ | ৫৯১৯ | ৪৭ | ১১৮৪৯ |
| গোলাঘাট | ৪৮৫৪ | ৬৬৭৬ | ৩৫ | ১১৫৬৫ |
| শোণিতপুৰ | ৫৪৭৩ | ৫৮১৬ | ৮৩ | ১১৩৭২ |
| যোৰহাট | ৫৫৫২ | ৫২৭২ | ৬৯ | ১০৮৯৩ |
| শ্ৰীভূমি | ৪৫৩১ | ৫৪৮৭ | ২৪ | ১০০৪২ |
| তিনিচুকীয়া | ৪০৩০ | ৫৭৭১ | - | ৯৮০১ |

| জিলা | উচ্চ শিক্ষা | বিদ্যালয় শিক্ষা | এছ চি ই আৰ টি | মুঠ |
|---|---|---|---|---|
| দৰং | ৪৫৪৪ | ৪৩৮০ | ৮ | ৮৯৩২ |
| শিৱসাগৰ | ৩৭১২ | ৪৪১৭ | - | ৮১২৯ |
| ওদালগুৰি | ৪২৪৫ | ৩৭২০ | - | ৭৯৬৫ |
| বঙাইগাঁও | ৩৭৯১ | ৩৯৪৩ | ৫৫ | ৭৭৮৯ |
| হোজাই | ৪২১১ | ৩৪৮২ | - | ৭৬৯৩ |
| বিশ্বনাথ | ২৭৪৪ | ৪৪৫৫ | ৩২ | ৭২৩১ |
| হাইলাকান্দি | ২৫৪৭ | ৪৩৫৪ | ২৪ | ৬৯২৫ |
| বাক্সা | ১৯১৭ | ৩৪৭১ | - | ৫৩৮৮ |
| বজালী | ২৯২৫ | ২২৬১ | - | ৫১৮৬ |
| তামুলপুৰ | ১২৭০ | ৩৩৩৪ | - | ৪৬০৪ |
| চিৰাং | ২৪৭১ | ২১২০ | - | ৪৫৯১ |
| চৰাইদেউ | ১৭০৬ | ২৭৮৫ | - | ৪৪৯১ |
| কাৰ্বি আংলং | ২১৭২ | ২২২৭ | ১৯ | ৪৪১৮ |
| দক্ষিণ শালমাৰা-মানকাচৰ | ১৮৬৯ | ১৮০২ | - | ৩৬৭১ |
| মাজুলী | ১৪৫৩ | ১৬১৫ | - | ৩০৬৮ |
| ডিমা হাছাও | ৯৯০ | ১৭২৫ | ৩২ | ২৭৪৭ |
| পশ্চিম কাৰ্বি আংলং | ১৬৩ | ৬৫২ | - | ৮১৫ |
| মুঠ | ১৫৮৫৩৭ | ১৯০৮৯৩ | ৮৩৫ | ৩৫০২৬৫ |

**২০২৪-২৫**
১.৬ লাখ ছাত্ৰীলৈ
১৩৩ কোটি টকা মুকলি

**২০২৫-২৬**
৩.৫ লাখ+ ছাত্ৰীলৈ
নিযুত মইনা আঁচনিৰ সুবিধা

### সামাজিক ফলপ্ৰসূতা

- উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি
- বাল্য বিবাহ প্ৰতিৰোধ তথা কিশোৰী অৱস্থাৰ মাতৃত্বৰ হাৰ হ্ৰাস
- আৱেগিক, মানসিক আৰু শাৰীৰিকভাৱে পৰিপক্ক বয়সৰ নোহোৱালৈকে কন্যাসকলৰ বিবাহ প্ৰতিৰোধ
- শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ সুনিশ্চিতকৰণ

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

Janasanyog RO no 3203/25/28-November-25

# ই-আলোচনী 'জ্ঞানম'ৰ জুবিন গাৰ্গ শ্ৰদ্ধাৰ্ঘ সংখ্যা উন্মোচন



**গুৱাহাটী ঃ** শৈক্ষিক গোট জ্ঞানমৰ ই-আলোচনী 'জ্ঞানম'ৰ জুবিন শ্ৰদ্ধাৰ্ঘ সংখ্যাটো ২৩ নৱেম্বৰত পিএমশ্ৰী নহিৰা গুইমাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উন্মোচন কৰা হয়। ই-আলোচনীখন উন্মোচন কৰে অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ দীৰ্ঘকালৰ বাদ্যযন্ত্ৰী ৰাজা বৰুৱাই। উন্মোচনী ভাষণত তেওঁ কয় যে জুবিন গাৰ্গৰ জীৱন আৰু কৰ্মৰাজিৰ পৰা নতুন প্ৰজন্মই বহুখিনি শিকিবলগীয়া আছে। তেখেতে জুবিন গাৰ্গৰ বৰ্ণাঢ্য জীৱন আৰু কৰ্মৰাজিৰ ওপৰত গৱেষণা হোৱা উচিত বুলি মন্তব্য কৰে। তেওঁ কয় যে জুবিন গাৰ্গ আছিল অত্যন্ত অধ্যয়ন পিপাসু। জীৱনক আলোকিত কৰিবপৰা গ্ৰন্থ পঢ়ি জুবিনে জীৱনক সমৃদ্ধ কৰা বুলিও তেখেতে মন্তব্য কৰে। জ্ঞানমৰ সভাপতি সৰস্বতী দত্তৰ সঞ্চালনাত অনুষ্ঠিত উক্ত অনুষ্ঠানত বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° প্ৰাণেশ্বৰ নাথে জুবিন গাৰ্গৰ গীতৰ প্ৰকৃতি শীৰ্ষক এটি মনোজ্ঞ বক্তৃতা প্ৰদান কৰে। তেখেতে জুবিনৰ গীত আৰু কথা কমেও এশ বছৰলৈকে প্ৰজন্মই কঢ়িয়াই লৈ ফুৰিব বুলি কয়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে ভাষণ দি শিক্ষাবিদ তথা লেখক-সাংবাদিক পৰেশ বৈশ্যই কয় যে জুবিন গাৰ্গ সত্ত্বাটো বিশেষকৈ অসমীয়া মানুহৰ চেতনাত সংপৃক্ত হৈ গৈছে। তেওঁ লগতে শৈক্ষিক গোট জ্ঞানমে বিশেষকৈ কামৰূপ জিলাত শিক্ষাৰ উত্তৰণৰ হকে লৈ অহা পদক্ষেপ শলাগ লয়। আৰম্ভণিতে জ্ঞানমৰ মুখ্য উপদেষ্টা তথা মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই আদৰণি ভাষণ দি জীৱন গাৰ্গৰ কৰ্মৰাজিয়ে সমাজ জীৱনক কিদৰে ধন্য কৰিছে সেই বিষয়ে চমুকৈ কয়। তেখেতে জুবিনৰ মৃত্যুৰ পাছৰ কেইদিনমানৰ পৰিস্থিতিয়ে অসমীয়া মানুহক কিদৰে শোকাকুল কৰিছিল তাৰ এখন ছবি এটি কবিতাৰ মাজেৰে দাঙি ধৰে। অনুষ্ঠানত জ্ঞানমৰ উপদেষ্টা ড° গণেশ্বৰ চহৰীয়াই জুবিন গাৰ্গ সম্পৰ্কত দুআষাৰ কয়। অনুষ্ঠানৰ আৰম্ভণিতে গিৰীণ দাসে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। জ্ঞানমৰ তত্বাৱধায়ক ফুলপাহি নাথে অনুষ্ঠানত সমন্বয়ক হিচাপে উপস্থিত থাকে। পল্লৱী পাঠকে আঁত ধৰা অনুষ্ঠানত জ্ঞানমৰ শীৰ্ষ গীত পৰিৱেশন কৰে মনৱিনী দাসে। অনুষ্ঠানত বিদ্যালয়খনৰ অধ্যক্ষ ধীৰেন কুমাৰ আৰু বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি নয়ন মহন্ত প্ৰমুখ্যে বহু সংখ্যক শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। এই অনুষ্ঠানতেই জুবিনৰ কবিতা আবৃত্তি প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কৃত কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি বিদ্যালয় চৌহদত নাহৰৰ পুলি ৰোপণ কৰা হয়। মল্লিকা দাসে অনুষ্ঠানৰ আৰম্ভণিতে শ্বহীদ তৰ্পণ কাৰ্যসূচী মুকলি কৰে। অনুষ্ঠানত জুবিন গাৰ্গৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

# পুৰুষত্ব

**শৈলেন কুমাৰ**, মিৰ্জা

**ক**ল্যাণৰ বিয়া যাবৰ বেছি দিন হোৱা নাই, কল্যাণ এজন শিক্ষিত ল'ৰা। কল্যাণৰ কইনাৰ ঘৰ আকৌ দূৰণিবটীয়া, গাঁওখনৰ ওচৰচুবুৰীয়া লগৰীয়া, সমনীয়াৰ মাজত বুবা আৰম্ভ হ'লেই। এদিন কল্যাণক লগৰবোৰে বজাৰত লগ পাই ক'লে, বুজিছা কল্যাণ দিনকাল ভাল নহয়, আজিকালি বাতৰিকাকত, টেলিভিছনত দেখিবলৈ পঢ়িবলৈ পাওঁ বোলে আমুকাৰ ঘৈণীয়েক কাৰবাৰ লগত পৰকীয়া প্ৰেমত পৰি পলাই গ'ল, গতিকে পলম নকৰি তুমি পুৰুষত্বৰ পৰিচয় দিয়া আৰু অতিশীঘ্ৰে সন্তান জন্ম দিয়াৰহে কথা চিন্তা কৰা। লগৰীয়াবোৰৰ কথা শুনি কল্যাণে ভাবিবলৈ বাধ্য হ'ল যে মূৰ্খৰ সমাজত জ্ঞান, সমৰ্পণ আৰু মূল্যবোধৰ কোনো মূল্য নাই, চেতনা আৰু জ্ঞান অবিহনে দেখাত মানুহৰ শৰীৰ ধাৰণ কৰিলেও সেইবোৰ একো একোজন পশু।

**ম'বাইল ঃ** ৭০০২৮-১৬১৪৬







# খিলঞ্জীয়া সাধাৰণ জাতিৰ মৌলিক অধিকাৰ খৰ্ব নোহোৱাকৈ ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰক ঃ অমৃত কুমাৰ শৰ্মা

## ডিব্ৰুগড়ত সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসমৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস সফলতাৰে সম্পন্ন



**ডিব্ৰুগড় ঃ** ডিব্ৰুগড় জিলা সাধাৰণ জাতি সুৰক্ষা সন্মিলনৰ আতিথ্যত যোৱা ২২ নৱেম্বৰ, শনিবাৰে ডিব্ৰুগড়ৰ জ্ঞানদায়িনী মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হয় সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসমৰ পঞ্চম বাৰ্ষিক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস। দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে কেন্দ্ৰীয় সভাপতি ক্ষীৰোদ কুমাৰ বৰদলৈয়ে। বন্তি প্ৰজ্বলন কৰে ডিব্ৰুগড় জ্ঞানদায়িনী সভাৰ সভাপতি ৰবিন গোস্বামীয়ে। বিশ্ববিশ্ৰুত শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে জ্যেষ্ঠ সমাজকৰ্মী ভুৱন মোহন গোস্বামীয়ে। তাৰ পাছতেই প্ৰতিষ্ঠা দিৱসৰ উপলক্ষ্যে 'বৃহত্তৰ অসমীয়া খিলঞ্জীয়া সাধাৰণ জাতিৰ ভৱিষ্যত' শীৰ্ষক এক মুকলি সভা অনুষ্ঠিত হয়। সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসম কেন্দ্ৰীয় সমিতিৰ মুখ্য সম্পাদক অমৃত কুমাৰ শৰ্মাই পৰিচালনা কৰা মুকলি সভাত কামৰূপ, ৰঙিয়া, বাইহাটা, শিৱসাগৰ, ধেমাজি, ডিব্ৰুগড়, তিনিচুকীয়া আদি কেইবাখনো জিলাৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। সভাত ভুৱন মোহন গোস্বামী, ৰবিন গোস্বামী, প্ৰশান্ত শৰ্মা, হিৰণ্য কুমাৰ ডেকা, অনিল শৰ্মা, ৰাজলক্ষ্মী ভূএগ, অজয় ভট্টাচাৰ্যকে আদি কৰি কেইবাগৰাকীও গণ্যমান্য ব্যক্তিয়ে সাধাৰণ জাতিৰ অধিকাৰ সুৰক্ষিত কৰাৰ সন্দৰ্ভত বক্তব্য দাঙি ধৰে। উক্ত সভাত সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসমৰ তৰফৰ পৰা ডিব্ৰুগড়ৰ বিধায়ক তথা অসমৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনক 'সমাজপ্ৰাণ' বঁটা প্ৰদান কৰা হয়। বঁটা লাভ কৰি তেখেতে সংগঠনটোৰ সমূহ কাৰ্যকৰ্তাক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। লগতে একেখন সভাতেই কেন্দ্ৰীয় সভাপতি ক্ষীৰোদ কুমাৰ বৰদলৈৰ নেতৃত্বত 'অসমীয়া সাধাৰণ শ্ৰেণী ৰাইজৰ মৌলিক অধিকাৰ খৰ্ব নোহোৱাকৈ ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰা', নতুনকৈ নিকা ব্যক্তিসকলক লৈ 'সাধাৰণ জাতি উন্নয়ন পৰিষদ' গঠন কৰা, 'পৃথককৈ খিলঞ্জীয়া সাধাৰণ জাতি ৰাইজক সংৰক্ষণৰ ব্যৱস্থা কৰা', আদি সাতটা দাবী সম্বলিত স্মাৰকপত্ৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনৰ যোগেদি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰা হয়। উল্লেখযোগ্য যে, মন্ত্ৰীগৰাকীয়ে বিষয়টোৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,
সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা